# দ্বিতীয় অধ্যায়

# নন্দনতত্ত্বৰ পৰিচয় আৰু পাশ্চাত্য নন্দনতাত্ত্বিকৰ দৃষ্টিভংগীৰ আধাৰত শঙ্কৰদেৱৰ কাব্য বিচাৰ

## ২.০০ নন্দনতত্ত্বৰ পৰিচয় আৰু সংজ্ঞা ঃ

নন্দনতত্ত্ব সাহিত্য, কলাৰ লগত জড়িত এক বিশেষ বিষয়। কলাৰ স্বৰূপ নিৰ্ণয়ৰ লগত জড়িত নন্দনতত্ত্বৰ উৎপত্তিগত অৰ্থ হ'ল - নন্দ্ (আনন্দ পোৱা, আনন্দ দান) + অন্ (ল্যুট) = নন্দন। নন্দন শব্দৰ লগত তত্ত্ব শব্দৰ সংযোগেৰে নন্দনতত্ত্ব শব্দটো সম্পূৰ্ণ হৈছে। "সংস্কৃত ভাষাত তৎ শব্দটিয়ে সত্য, স্বৰূপ, যথাৰ্থ পৰম ইত্যাদি অৰ্থ প্ৰকাশ কৰে, সেয়ে তত্ত্বই স্বৰূপ নিৰ্ণয়ৰ অৰ্থ বহন কৰে। 'তৎ' শব্দটিত 'ত্ব' প্ৰত্যয় বা ধ্বনি যোগ হৈ 'তত্ত্ব' শব্দটি ওলাইছে।"[১] গতিকে আনন্দ পোৱা বা আনন্দ দানৰ স্বৰূপ নিৰ্ণয়ৰ অৰ্থতে নন্দনতত্ত্ব শব্দটোৰ উৎপত্তি হোৱা দেখা যায়।

সৌন্দৰ্যৰ স্বৰূপ নিৰ্ণয়েই নন্দনতত্ত্বৰ মুখ্য উদ্দেশ্য। গতিকে সুন্দৰৰ সত্য, স্বৰূপ, যথাৰ্থতা নিৰ্ণয় কৰা শাস্ত্ৰই হ'ল নন্দনতত্ত্ব। "ই ইন্দ্ৰিয় গ্ৰাহ্য হয়নে নহয়, শিল্পকলাত ইয়াৰ অৱস্থিতি অন্তৰ্নিহিত নে চাক্ষুস, সৌন্দৰ্যৰ উপলব্ধি ৰসিকজনৰ চিত্তত কিদৰে কৰা হয়,"[২] এনেবোৰ বিস্তৃত অধ্যয়ন নন্দনতত্ত্বৰ ভিতৰুৱা। সৌন্দৰ্য হ'ল মানুহৰ মনত আনন্দ প্ৰদান কৰা এক প্ৰকাৰৰ অনুভূতি। সাধাৰণতে সৌন্দৰ্যবোধ বুলিলে যিকোনো সুন্দৰ বস্তু দেখিলে মানুহৰ মনলৈ যিভাৱ আহে তাকে বুজায়। কিন্তু সাহিত্যত সৌন্দৰ্যৰ উপলব্ধি ইমান সহজ বিষয় নহয়। শিল্পকলাৰ সেই সৌন্দৰ্যবিষয়ক অধ্যয়নৰ ক্ষেত্ৰ নন্দনতত্ত্বৰ ইংৰাজী প্ৰতিশব্দ হৈছে Aesthetics। এই Aesthetics শব্দটো গ্ৰীক শব্দ Aeisthetikos ৰ পৰা উৎপত্তি হৈছে। Greek word 'aisthetikos' is a branch of philosophy dealing with the nature of art, beauty and taste, with creation and appreciation of beauty" । (S.S. Barlingay ৰ A Modern Introduction to Indian Aesthetics Theory. The Development from Bharat to Jagonnanth) গ্ৰীক

---

১ অৰূপ কুমাৰ গোস্বামী (সম্পা.), *কবীন ফুকনৰ কবিতা-সমালোচনা আৰু কাব্যতত্ত্ব বিষয়ক ৰচনাৱলী*, পৃ. ২৫৪।

২ প্ৰফুল্ল কটকী, *সাহিত্য সংজ্ঞা কোষ*, পৃ.১২০।

শব্দ aisthetikos ৰ পৰাই aesthetic শব্দটো আহিছে, যাৰ অৰ্থ অনুভৱ বা বোধ কৰা। সৌন্দৰ্য আৰু আনন্দই নন্দনতত্ত্বৰ মূলকথা।[৩] গ্ৰীক মূলৰ পৰা অহা "ইংৰাজী Aesthetic শব্দটো জাৰ্মানি ৰূপত পোনতে ব্যৱহাৰ কৰে জাৰ্মান দাৰ্শনিক আলেকজেণ্ডাৰ গটলিব ব'মগাৰ্টেনে (১৭১৪-১৭৬২) তেওঁৰ Meditationes Philosophicae de nonnullis and poema pertinentibus (অৰ্থাৎ কবিতা সম্পৰ্কীয় কিছু কথাৰ বিষয়ে চিন্তন) নামৰ গ্ৰন্থত।"[৪]

পৃথিৱীৰ সকলো সাহিত্যৰ লগত জড়িত নন্দনতত্ত্ব শব্দটোৱে কেইবাখনো ঠাইৰ মাজেদি সংবৰ্ধন, সংশোধন হৈ কলাৰ লগত জড়িত এটা অভিধা হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হ'ল। সৌন্দৰ্যৰ ধাৰণাৰ লগত সম্পৰ্কিত এই শব্দটো অষ্টাদশ শতিকাত জাৰ্মানত সৃষ্টি হৈছিল আৰু ঊনবিংশ শতিকাত ইংৰাজী সাহিত্যত তুলি লোৱা এই শব্দটো শতিকাৰ শেষলৈ যথেষ্ট বিতৰ্কিত ৰূপত প্ৰচলিত হৈছিল।[৫] বিতৰ্কিত এই অৰ্থতহে যে Aesthetic শব্দই সংকীৰ্ণ অৰ্থত সৌন্দৰ্যৰ অধ্যয়ন (theory of beauty) বুজাই যদিও ব্যাপক আৰু গভীৰ অৰ্থত কলাৰ দৰ্শন (Philosophy of Art) কহে বুজায়। ১৩৩৯ বঙ্গাব্দত পৰিচয় নামৰ পত্ৰিকাত 'আধুনিক কাব্য' শীৰ্ষক ৰচনাত ৰবীন্দ্ৰনাথ ঠাকুৰে নন্দনতত্ত্ব সম্বৰ্কে এজৰা পাউণ্ডৰ এটা কবিতা আছে বুলি 'নন্দনতত্ত্ব' শব্দ ব্যৱহাৰ কৰাৰ তথ্য পোৱা যায়।[৬] বাংলা সাহিত্যত ৰবীন্দ্ৰনাথে এনেদৰে নন্দনতত্ত্ব, সৌন্দৰ্যতত্ত্ব দুয়োটা শব্দ একে অৰ্থতে ব্যৱহাৰ কৰিছিল বুলি জনা যায়। অসমীয়া সাহিত্য হেমকোষ, চন্দ্ৰকান্ত অভিধান সংশোধিত আৰু পৰিবৰ্দ্ধিত চতুৰ্থ সংস্কৰণ (২০১২ চন) লৈও এই শব্দ দুটিৰ অন্তৰ্ভুক্তি হোৱা দেখা নগ'লেও নন্দনতত্ত্বই অসমীয়া বিদ্বৎ মণ্ডলী, সাহিত্যপ্ৰেমীৰ চিনাকী পাৰিভাষিক শব্দ হিচাপে পৰিচিতি লাভ কৰা দেখা যায়।

---

৩ "গ্ৰীক শব্দ 'Aisthetikos' থেকে এসেছে 'Aesthetic' শব্দটি; যাৰ অৰ্থ ঃ অনুভৱ বা বোধ সৌন্দৰ্য ও আনন্দ অনুভৱেই এস্থেটিকের মৰ্মকথা।" তৰুণ মুখোপাধ্যায় (সম্পা.), *নন্দনতত্ত্ব জিজ্ঞাসা*, পৃ.৫।

৪ মদন শৰ্মা, নন্দনতত্ত্ব, "প্ৰাচ্য আৰু পাশ্চাত্য", *প্ৰকাশ*, পৃ.৮।

৫ The sense concerned with beauty was coined in German in the mid of 18th century and adopted in English in the early 19th century but its use was controversial until much late in the century https:// b.n.m.wikipedia.org>wiki 16 May, 2020. 7.30. AM.

৬ পৰিচয় পত্ৰিকাৰ ১৩৩৯ বঙ্গাব্দের 'আধুনিক কাব্য' নামক প্ৰবন্ধে তিনি একটি বাক্য এই শব্দটি ব্যৱহাৰ কয়ছিলেন এই ভাৱে - নন্দনতত্ত্ব (Aesthetic) সমন্ধে এজৰা পৌণ্ডের একটি কবিতা আছে। ৰবীন্দ্ৰ নাথ নন্দনতত্ত্ব এবং সৌন্দৰ্যতত্ত্ব দুটো শব্দই ব্যৱস্থাৰ কৰছেন।- https:// b.n.m.wikipedia.org>wiki 16 May, 2020. 7.35. AM.

অৱশ্যে উল্লেখ্য যে “ইংৰাজী aesthetic শব্দটোৰ অসমীয়া প্ৰতিশব্দ হিচাপে নন্দনতত্ত্ব, কান্তিবিদ্যা, ৰসতত্ত্ব, ৰুচিবিজ্ঞান, সৌন্দৰ্যতত্ত্ব আদি শব্দবোৰৰ ব্যৱহাৰ চলিছে।”[৭]

Aesthetic বা নন্দনতত্ত্ব শব্দটোক বিশেষ্য আৰু বিশেষণ দুই অৰ্থতে ব্যৱহাৰ কৰা দেখা যায়।

বিশেষ্য হিচাপে এই অৰ্থত ব্যৱহাৰ কৰে - কিছুমান নিয়মৰ সমষ্টি যিবোৰ কলা বা কলা সম্বন্ধীয় আন্দোলনৰ লগত জড়িত (a set of principles underlying the work of a particular art or artistic movement. “The cubiest aesthetic”) আৰু বিশেষণ অৰ্থত এনেদৰে ব্যৱহাৰ কৰা দেখা যায় - সৌন্দৰ্য বা সৌন্দৰ্যৰ প্ৰশংসনৰ লগত জড়িত। (concerned with beauty or the appreaciation of beauty - the pictures give great aesthetic pleasure.) একেদৰে সংকীৰ্ণ অৰ্থত সৌন্দৰ্যৰ অধ্যয়ন (a theory of beauty) আৰু ব্যাপক অৰ্থত কলাৰ দৰ্শন (Philosophy of art) হিচাপে ব্যৱহাৰ কৰা দেখা যায়।

“বমগাৰ্টেনক দাৰ্শনিক নন্দনতত্ত্বৰ আৰম্ভণি কৰোঁতা বুলি ক’লেও কিন্তু দাৰ্শনিক ইমানুৱেল কাণ্টকে নন্দনতত্ত্বৰ প্ৰতিষ্ঠাতা বুলি ধৰা হয়। বিশেষকৈ কান্টৰ ৰচনা ক্ৰিটিক অভ দ্য পাওৱাৰ অভ জাজমেণ্ট (১৭৯০) তে সেই কলাৰ তত্ত্ব উপস্থাপন কৰা হয়।”[৮] “ৰেণে ওৱেলকে কান্টৰ বিষয়ে Aesthetic and Criticism নামৰ ৰচনাখনত কৈছে- “আমি সিদ্ধান্ত কৰিব পাৰো যে কান্টেই আধুনিক নন্দনতত্ত্বৰ প্ৰতিষ্ঠাতা।”[৯]

সেইদৰে নন্দনতত্ত্বৰ আৰম্ভণি কৰোতা আলেকজেণ্ডাৰ গ্যটলিব বোমগাৰ্টেনৰ নন্দনতত্ত্ব সম্পৰ্কীয় সংজ্ঞা হ’ল - ইন্দ্ৰিয়ানুভূতি আৰু প্ৰয়োজন নিৰপেক্ষ সুখ দুখৰ আলোচ্য শাস্ত্ৰই নন্দনতত্ত্ব।[১০]

সৌন্দৰ্যৰ প্ৰতি মানুহৰ আগ্ৰহ চিৰন্তন। জাগতিক সৌন্দৰ্যৰ দৰেই কাব্যৰ, কলাৰ সৌন্দৰ্যৰ প্ৰতি মানুহ, পাঠক, ৰসিকজন সদায়েই আগ্ৰহী। সেয়ে কলাৰ প্ৰসঙ্গত, সৌন্দৰ্য, সৌন্দৰ্যবোধৰ স্বৰূপ উদ্ঘাটনৰ যত্ন প্ৰয়াসৰ ফলশ্ৰুতিত নন্দনতত্ত্ব সম্পৰ্কীয় বিভিন্ন জনৰ বিভিন্ন মত বা সংজ্ঞা দেখিবলৈ পোৱা যায়।

ভাৰতীয় চিন্তাত সৌন্দৰ্য আৰু আনন্দক অপাৰ্থিৱ আখ্যা দিয়া হৈছে। ব্ৰহ্মৰ বিষয়ে ব্যক্ত কৰিব পৰা

---

৭ হৰিনাথ শৰ্মা দলৈ, *শঙ্কৰদেৱৰ সাহিত্য প্ৰতিভা*, ৩য় খণ্ড, পৃ.৪

৮ মদন শৰ্মা, পূৰ্বোল্লিখিত, পৃ.৮

৯ ত্ৰৈলোক্য নাথ গোস্বামী, *সাহিত্য, কলা আৰু তাৰ বিচাৰ*, পৃ.১৮৬

১০ নন্দনতত্ত্ব হচ্ছে সেই শাস্ত্ৰ যার বিবেচ্য বিষয় ইন্দ্ৰিয়ানভূতিজনিত ও প্ৰয়োজন নিৰপেক্ষ সুখ দুঃখ তার প্ৰকাশ।
- সৈয়দ মনজুরল ইসলাম, *নন্দনতত্ত্ব*, পৃ.১৫

নাযায়, কেৱল অনুভৱহে কৰিব পৰা ব্ৰহ্ম আনন্দদায়ক। আলংকাৰিকসকলৰ মতে কাব্যৰ আনন্দও ব্ৰহ্মস্বাদ সহোদৰ। ব্ৰহ্মস্বাদ সহোদৰতুল্য সেই অনুভৱযোগ্য আনন্দ বিশ্লেষণ য'ত কৰা হয় সেয়াই নন্দনতত্ত্ব।[১১] অৰ্থাৎ ভাৰতীয় বিশেষকৈ হিন্দুসকলৰ পৰম আকাংক্ষিত ব্ৰহ্মাৰ আস্বাদনৰ লগত কাব্যানন্দক সমতুলীয় (সহোদৰ সদৃশ) কৰি কাব্যানন্দৰ অনুভৱ, আস্বাদৰ বিশ্লেষনকে নন্দনতত্ত্ব বুলি সংজ্ঞা দাঙি ধৰিছে।

সুৰেন্দ্ৰ নাথ দাসগুপ্তৰ 'সৌন্দৰ্যতত্ত্ব' শীৰ্ষক গ্ৰন্থত নন্দনতত্ত্বৰ সংজ্ঞা আগবঢ়োৱা সহজ আৰু সম্ভৱ নহয় বুলি মত প্ৰকাশ কৰিছে। "সৌন্দৰ্য একটি বিশেষ সামঞ্জস্য বা পৰিচয়ের বোধ। বিশেষাত্মক এবং বিশিষ্ট বোধ বলিয়া ইহাৰ স্বৰূপ লক্ষন সম্ভৱ নহে।"[১২]

বিশ্বৰ বিভিন্ন অভিধানতো Aesthetic ৰ ধাৰণা দিয়া দেখা যায় এনেদৰে Aesthietics, also spelled esthetics, the philosophical study of beauty and taste. It is closely relatated to the philosophy of art, which is concerned with the nature of art and the concepts in terms of which individual works of art are interpreted and evaluated (Britannica).[১৩]

কেমব্ৰিজ অভিধানত আছে the formal study of art, especialy in relation to the idea of beauty য়েই হ'ল নন্দনতত্ত্ব।[১৪] (কলাৰ আনুষ্ঠানিক অধ্যয়ন, বিশেষকৈ সৌন্দৰ্যৰ ধাৰণা সম্পৰ্কে পদ্ধতিগত অধ্যয়নেই হ'ল নন্দনতত্ত্ব)

নন্দনতত্ত্বৰ বিশিষ্ট সমালোচক বেনেদিতো ক্ৰোচেৰ মতে "নন্দনতত্ত্ব হ'ল অভিব্যঞ্জনাপ্ৰসুত ক্ৰিয়াশক্তিৰ বিজ্ঞান (Science of expressive activity.)"[১৫]

এনেদৰে নন্দনতত্ত্ব সম্বন্ধে বিভিন্ন ধৰণৰ সংজ্ঞা দেখিবলৈ পোৱা যায়। মুখ্যতঃ নন্দনতত্ত্ব সম্পৰ্কীয় ধাৰণাসমূহৰ অধ্যয়নৰ অন্তত দেখা যায় নন্দনতত্ত্ব হ'ল সৌন্দৰ্যৰ, বিশেষকৈ কলাত দেখা

---

১১ "ব্ৰহ্ম কি, মুখে বলা যায় না; অনুভৱ কৰা যায়, যা আনন্দদায়ক। কাব্যও ব্ৰহ্মস্বাদ সহোদরতুল্য বলেছেন আলঙ্কাৰিকরা। সেই আনন্দের অনুভৱ, আস্বাদ যেখানে বিশ্লেষিত হয়, তাই নন্দনতত্ত্ব।" - তৰুণ মুখ্যোপাধ্যায় (সম্পা.), পূৰ্বোল্লিখিত, পৃ.৫

১২ পূৰ্বোল্লিখিত, পৃ.৩৪

১৩ https://www.britannica. com>topic. 17/06/20. 7.06. AM.

১৪ https://dictionary.cambridge.org 17/06/20. 07.07 AM.

১৫ ত্ৰৈলোক্য নাথ গোস্বামী, *নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু প্ৰাশ্চাত্য*, পৃ. ১

সৌন্দৰ্যৰ অধ্যয়ন আৰু দ্বিতীয়টো ধাৰা মতে এছথেটিকছ হ'ল সৌন্দৰ্যৰ বিশেষকৈ কলাৰ সৌন্দৰ্যৰ নীতি সম্পৰ্কে অধ্যয়ন কৰা দৰ্শন শাস্ত্ৰৰ এটা ভাগ। মদন শৰ্মাৰ নন্দনতত্ত্ব সম্পৰ্কীয় ধাৰণা হ'ল এনেধৰণৰ -

"ই হ'ল সৌন্দৰ্য, বিশেষকৈ কলাত, কলাৰূপ, কলাৰ সৃজনসমূহত দেখা সৌন্দৰ্যৰ আৰু সিবোৰৰ আন গুণৰ বিষয়ে বিশেষভাৱে অধ্যয়ন কৰা দৰ্শনৰ ভাগ। ই এনেবোৰ কথা আলোচনা কৰে - সৌন্দৰ্য কি, ইয়াৰ স্বৰূপ কেনেকুৱা, সৌন্দৰ্যৰ সৈতে মানৱ মনৰ, মানৱীয় আৱেগ-অনুভূতিৰ সম্পৰ্ক কি, সৌন্দৰ্যৰ সৈতে শুভৰ ধাৰণাৰ সম্পৰ্ক কি, কলা কি, কলা আৰু সৌন্দৰ্যৰ মাজত কি সম্পৰ্ক, বিভিন্ন কলাৰূপসমূহ কি কি, এইবোৰৰ কিবা সাধাৰণ লক্ষণ বা স্বৰূপ আছে নেকি ইত্যাদি।"[১৬]

"শিল্প কলাৰ সৌন্দৰ্য আৰু তাৰ স্বৰূপ বিশ্লেষণ কৰা বিদ্যায়তনিক অধ্যয়ন ক্ষেত্ৰই হ'ল নন্দনতত্ত্ব আৰু এই সাহিত্য ক্ষেত্ৰত নন্দনতত্ত্বই সাহিত্যৰ লক্ষণ বা স্বৰূপ সাহিত্য সৃষ্টিৰ অন্তৰালৰ কাৰক, আবেগ, অনুভূতি, অভিজ্ঞতা, কল্পনা আদিৰ সাহিত্য সৃষ্টিত প্ৰভাৱ, ছন্দ, অলংকাৰ, ৰস আদি বিবিধ বিষয়ক অন্তৰ্ভুক্ত কৰি লয়।" [১৭]

## ২.১.০ সৌন্দৰ্য (Beauty) ঃ

শিল্প সাহিত্যৰ সৌন্দৰ্য বিষয়ক অধ্যয়ন ক্ষেত্ৰই হ'ল নন্দনতত্ত্ব। নন্দনতত্ত্ব শব্দৰ প্ৰতিশব্দ হিচাপে সৌন্দৰ্যতত্ত্ব শব্দৰো সমানেই প্ৰচলন ঘটা দেখা যায়। যদিও Aesthetics বা নন্দনতত্ত্বক কলাৰ দৰ্শন হিচাপে গ্ৰীক সাহিত্যত প্লেটোৰ দিনৰে পৰা ধৰি লোৱা হয়, "আধুনিক কালত ই শিল্প সাহিত্যৰ সৌন্দৰ্য দৰ্শন বা সৌন্দৰ্যতত্ত্বকে বিশেষকৈ বুজায়। আলেকজেণ্ডাৰ বৌমগাৰ্টেনে (১৭১৪-১৭৬২) সৰ্বপ্ৰথম এই অৰ্থত aesthetics শব্দটোৰ প্ৰয়োগ কৰিছিল।"[১৮] গতিকে সাহিত্যত সৌন্দৰ্যতত্ত্বৰ প্ৰসঙ্গত সৌন্দৰ্য, সুন্দৰ, beauty ৰ প্ৰসঙ্গ আহি পৰে। সকলো সাহিত্যই সৌন্দৰ্যময়। মাথোন লেখকভেদে আৰু উপভোক্তা ভেদে সেই সৌন্দৰ্যৰ স্বৰূপ সামান্য ভিন্ন হ'ব পাৰে। সাহিত্যত

---

১৬ মদন শৰ্মা, পূৰ্বোল্লিখিত, পৃ. ৮

১৭ চণ্ডীচৰণ গোস্বামী, "অসমীয়া সাহিত্যত নন্দনতত্ত্বৰ চৰ্চা এক সমীক্ষা" *তিলক বৰাৰ কাব্য আৰু কাব্যতত্ত্ব*, পৃ.১৮৬

১৮ প্ৰফুল্ল কটকী, পূৰ্বোল্লিখিত, পৃ.১২০

সুন্দৰতাৰ প্ৰসঙ্গত প্লেটো এৰিষ্ট'টলৰ পৰা আৰম্ভ কৰি শ্যেলী, কীটছ, কান্ট, মাৰ্ক্স, মাৰ্টিন হাইজেগাৰ (১৮৮৯-১৯৭৬) আদি সমালোচকৰ নিজস্ব দৃষ্টিভংগী থকাৰ দৰে প্ৰাচ্যৰ ভৰত, ভামহ, বিশ্বনাথ, বামন আনকি বিংশ শতিকাৰ ৰবীন্দ্ৰ নাথ ঠাকুৰেও নিজস্ব ধাৰণা ব্যাখ্যা কৰি থৈ গৈছে। মানৱ মনৰ গভীৰতম অনুভূতিৰ ব্যঞ্জিত ৰূপ সাহিত্যৰ স্বৰূপ উপলব্ধি, সৌন্দৰ্যৰ আস্বাদন এক জটিল বিষয় হ'লেও দৰাচলতে যি সাহিত্যই স্থান কাল পাত্ৰ নিৰ্বিশেষে সকলো ঠাইৰ সকলো সময়ৰ সকলো মানুহক (পাঠকক) স্পৰ্শ কৰিব পাৰে সেই সাহিত্য মহৎ সাহিত্য  হ'বই লাগিব। এনে কালজয়ী, সাহিত্যৰ কিছুমান সৌন্দৰ্য বা সুন্দৰতাৰ দিশ অৱশ্যম্ভাৱী ভাৱে থাকিবই লাগিব। "সাধাৰণ অৰ্থত যি ৰূপ, ৰস, লয়, কান্তি আৰু মাধুৰ্যৰ সুগঠিত সমাবেশত প্ৰকাশিত আৰু যি চিত্তাকৰ্ষক, তাকেই সৌন্দৰ্য আখ্যা দিয়া হয়। কিন্তু সৌন্দৰ্যৰ সৰ্বজনসন্মত সংজ্ঞা নিৰ্দ্দিষ্ট কৰা টান, কাৰণ সুন্দৰ বুলি বিবেচিত তাৰ ৰূপ ভিন ভিন প্ৰকাৰৰ।" [১৯]

ইউৰোপীয়ান খ্ৰীষ্টিয়ানসকলৰ মাজত আৰম্ভ হোৱা নন্দনতত্ত্বৰ আলোচনা পৰৱৰ্তীকালত জাৰ্মান, ফ্ৰান্স, ইটালী আদি দেশতো বিয়পি পৰে। সেইবাবেই সুন্দৰতা বা সৌন্দৰ্য সম্পৰ্কেও কলাৰ দৰ্শনৰ স্বৰূপ হিচাপে গ্ৰীকসকলেই প্ৰথমে আলোচনা আগবঢ়োৱা দেখা যায়। "এৰিষ্ট'টলৰ জগত সম্পৰ্কে থকা ধাৰণা প্লেটোৰ লগত বেলেগ যদিও সৌন্দৰ্য সম্পৰ্কে দুয়োৰে একে মত দেখা যায়। তেওঁলোকে সত্যক সুন্দৰ বুলি ক'ব খোজে।... এৰিষ্ট'টলৰ মতে কবিয়ে সত্যক সুন্দৰ কৰি উপস্থাপন কৰে।"[২০] তেওঁলোকৰ মতে "Beauty is a matter of size and proportion." [২১]

প্লটিনাছে সুন্দৰ বস্তু আৰু সৌন্দৰ্যৰ মাজত পাৰ্থক্য বিচাৰি পাই কৈছিল, "সৌন্দৰ্যৰ উপলব্ধি এক মহৎ কাৰ্য।" [২২]

নন্দনতত্ত্বক এক স্বতন্ত্ৰ বিজ্ঞান হিচাপে প্ৰতিষ্ঠা কৰোতা জাৰ্মান দাৰ্শনিক ইমানুৱেল কান্টে আৰ্টক এটা স্বকীয় মৰ্যাদা দান কৰে। কান্টে সৌন্দৰ্যৰ সংজ্ঞা দিছে এনেদৰে -সৌন্দৰ্য হৈছে কোনো এটা বস্তুৰ

---

১৯ উল্লিখিত, পৃ.২৪৪

২০ মঞ্জু চক্ৰৱৰ্তী, *ৰঘুনাথ চৌধাৰীৰ কবিতাত সৌন্দৰ্য চেতনা,* পৃ. ৩০-৩১

২১ উল্লিখিত, পৃ.৪২

২২ উল্লিখিত,পৃ.৩১

উদ্দেশ্যধৰ্মিতাৰ গঠন, যিমান দূৰ সম্ভৱ কোনো উদ্দেশ্যৰ প্ৰতিনিধিত্ব অবিহনেই ইয়াক উপভোগ কৰিব পাৰি।[২৩]

কাণ্টৰ মতে সৌন্দৰ্য দুই ধৰণৰ - (ক) মুক্ত সৌন্দৰ্য (free beauty / Pulchrituds), (খ) যুক্ত সৌন্দৰ্য (accessory beauty / Pulchritudo adhaeren) মুক্ত সৌন্দৰ্যৰ উদাহৰণ হিচাপে কাণ্টে এপাহ ফুলৰ উদাহৰণ দাঙি ধৰি কৈছে - যিপাহ ফুল, ফুল হোৱা বাবেই ভাল লাগে। সেইদৰে যুক্ত সৌন্দৰ্যৰ উদাহৰণস্বৰূপে গীৰ্জাত দেখা এজন ব্যক্তিৰ উদাহৰণ দাঙি ধৰিব পাৰি। মানুহজনৰ সৌন্দৰ্যৰ লগত গীৰ্জালৈ যোৱা, গীৰ্জাৰ ধৰ্মীয় পৰিৱেশে মানুহজনৰ চৰিত্ৰলৈ আনি দিয়া সুন্দৰতা জড়িত হৈ আছে। (an example of a free natural beauty might be a flower when we judge it aesthetically, it represents nothing, and we like it for itself.) একেদৰে accessory beauty সম্পৰ্কত কৈছে the second kind of beauty is accessory beauty (Pulchritudo adhaerens), which does presumpose a concept of what the object is meant to be"[২৪]

কাণ্টৰ মতে সুন্দৰ বস্তুৰ পৰা লাভ কৰা আনন্দটো আচলতে বস্তুটোৰ পৰা অহা পোনপটীয়া আনন্দ নহয়, ই উদ্ভূত হয় কল্পনা আৰু বুদ্ধিৰ মাজত স্থাপিত হোৱা এক প্ৰকাৰ ঐক্যৰ বাবেহে। যিহত আমি আনন্দ পাওঁ আৰু যিটো সাৰ্বজনীন অথচ প্ৰত্যয়মুক্ত সেয়েই সুন্দৰ (That in which we take pleasure, that is universal and yet independent of concepts is beautiful.) কোলেৰিজৰ মতে "সৌন্দৰ্যই সৰ্বপ্ৰকাৰ আমোদ-প্ৰমোদৰ উৎস (all that inspires pleasures without.) কীটছৰ মতে সৌন্দৰ্যই সত্য, সত্যই সৌন্দৰ্য।"[২৫]

"ওঠৰ শতিকাৰ ইংৰাজ দাৰ্শনিক ডেইভিদ হিউমে তেওঁৰ Of the Standard of Taste (১৭৬০) নামৰ বিখ্যাত ৰচনাখনত কৈছে - সৌন্দৰ্য বস্তুবোৰত নিহিত হৈ থকা কিবা গুণ নহয়। ই থাকে সেই বস্তুবোৰ ধ্যান কৰা বা মনোযোগেৰে চোৱা মনটোৰ মাজত।"[২৬]

---

২৩ Beauty is the form of purposiveness of an object, so far as this perceived without any represantation of a purpose. cj.386. - M.A.R. Habib, *A History of Literary criticism from plato to the present*, p.373

২৪ Habib, উল্লিখিত, পৃ. 373

২৫ প্ৰফুল্ল কটকী, পূৰ্বোল্লিখিত, পৃ.২৪৫

২৬ মদন শৰ্মা, পূৰ্বোল্লিখিত, পৃ.১৪

এনেদৰে অংগসংস্থাপনৰ সুসামঞ্জস্যৰ পৰা, সৌন্দৰ্যৰ উপলব্ধি মহৎ কাৰ্য বুলি বিবেচনা কৰা বা বস্তুবোৰ মনোযোগেৰ চোৰা মনৰ মাজত সৌন্দৰ্য লুকাই থাকে বুলি প্লেটো এৰিষ্ট'টলে কৰা মন্তব্যই সৌন্দৰ্যৰ বিবিধ দিশ আঙুলিয়াই দিয়ে। দৰ্শনৰ এটা শাখাৰ পৰা স্বতন্ত্ৰ বিজ্ঞান হিচাপে স্বতন্ত্ৰতা তথা স্বীকৃতি পোৱালৈ - নন্দনতত্ত্বৰ এই সুদীৰ্ঘকালীন যাত্ৰাত সৌন্দৰ্যৰ ধাৰণা সম্পৰ্কে পাশ্চাত্য সমালোচকসকলৰ এনেধৰণৰ মতামত দেখিবলৈ পোৱা যায়।

প্ৰাচ্যৰ আলংকৰিকসকলেও কলাৰ সুন্দৰতাৰ আধাৰ, প্ৰকাৰ, বৈশিষ্ট্য সম্পৰ্কে নিজস্ব ধৰণেৰে মতামত আগবঢ়োৱা দেখা যায়। "সৌন্দৰ্য সকলো কলাৰ সৈতে সাঙোৰ খাই আছে। ভৰতে ইয়াক শোভা বুলিছে। বামনৰ মতে সৌন্দৰ্য আৰু অলংকাৰ একে। আনন্দবৰ্দ্ধনৰ মতে সৌন্দৰ্য হ'ল ধ্বনি।"[২৭] অলংকাৰ, ৰস, ধ্বনি, ছন্দৰ মাজতে কাব্যৰ সৌন্দৰ্য নিহিত থাকে বুলি ভাৰতীয় আলংকাৰিকসকলে মত দাঙি ধৰা দেখা যায়।

### ২.২.০. নন্দনতত্ত্বৰ শ্ৰেণীবিভাজন ঃ

"নন্দনতত্ত্বক চাৰিটা ভাগত ভাগ কৰি আলোচনা কৰা দেখা যায়।" - সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ গ্ৰন্থত[২৮] বিমল মজুমদাৰে নন্দনতত্ত্বৰ শ্ৰেণীবিভাজনৰ প্ৰসঙ্গত এনেদৰে উল্লেখ কৰি নন্দনতত্ত্বৰ ধ্ৰুপদী নন্দনতত্ত্ব (classical aesthetics) ৰীতি নন্দনতত্ত্ব (aesthetics of styles), সৃজনীশীল নন্দনতত্ত্ব (aesthetic of creatitive imagination) আৰু পৰিৱেশ নিৰ্ভৰ নন্দনতত্ত্ব (aesthetics of the enviorment) বুলি ভাগ কৰি দেখুৱাইছে। তেওঁ উল্লেখ কৰা মতে বহুতে মাৰ্ক্সীয় নন্দনতত্ত্বক পৰিৱেশ নিৰ্ভৰ নন্দনতত্ত্বৰ ভিতৰুৱা বুলি ক'ব খুজিলেও মাৰ্ক্সীয় নন্দনতত্ত্বও নন্দনতত্ত্বৰ এটা সুকীয়া ধাৰা। মাক্সবাদী নন্দনতত্ত্বৰ ধাৰণাত শিল্পৰ আঁৰৰ অৰ্থনৈতিক, ৰাজনৈতিক, মতাদৰ্শগত কাৰকসমূহলৈ লক্ষ্য ৰাখিব লাগিব। লগতে কলাক সমাজ পৰিৱৰ্তনৰ আহিলা হিচাপে ব্যৱহাৰো কৰিব পাৰিব লাগিব। খৃ.পূ. ৫০০ ৰ পৰা খৃষ্টাব্দ ৪০০ লৈ নন্দনতত্ত্ব সম্পৰ্কীয় চিন্তাধাৰাক ধ্ৰুপদী নন্দনতত্ত্ব বুলি ভবা হয়। যিকোনো বস্তুৰ সামগ্ৰিক সৌন্দৰ্যক ৰীতি সৌন্দৰ্যতত্ত্বই সামৰি লয়।

---

২৭ মদন শৰ্মা, পূৰ্বোল্লিখিত, পৃ.১৬

২৮ বিমল মজুমদাৰ, *সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ*, পৃ.১০৭

নন্দনতত্ত্বৰ লগত জড়িত কেইটামান দিশ হ'ল নন্দন তাত্ত্বিক ধাৰণা (aesthetic concept) নন্দনতাত্ত্বিক অভিজ্ঞতা (aesthetic experience) আৰু নন্দনতাত্ত্বিক বাস্তৱতা (aesthitic realism)।

## ২.৩.০ সৌন্দৰ্য, আনন্দ আৰু ৰস ঃ

সৌন্দৰ্য হ'ল মানুহৰ মনত আনন্দ প্ৰদান কৰা এক প্ৰকাৰ অনুভূতি। সাধাৰণতে সৌন্দৰ্যবোধ বুলিলে যিকোনো সুন্দৰ বস্তু দেখিলে মানুহৰ মনলৈ যি ভাৱ আহে তাকে বুজায়। সৌন্দৰ্যবোধ মনৰ উপলব্ধিৰ লগত জড়িত। সৌন্দৰ্য সংজ্ঞাতীত আৰু ব্যাখ্যাতীত, কেৱল উপলব্ধিযোগ্য সৌন্দৰ্যক নিৰ্দিষ্ট সূত্ৰেৰে বন্ধাটো প্ৰায় অসম্ভৱ কথা। শিল্প সাহিত্যৰ সৌন্দৰ্য ইন্দ্ৰিয়গ্ৰাহ্য নহয়, ইন্দ্ৰিয়াতীত উপলব্ধিহে। আলোচ্য সৌন্দৰ্য মানুহে সৃষ্টি কৰি লোৱা কলা (Art)ৰ মাজতহে ফুটি উঠে। যিহেতু তাৰ মাজেদিয়ে মানৱীয়বোধ ফুটি উঠে। কিয়নো 'কলাৰ মুখ্য উদ্দেশ্য সৌন্দৰ্য সৃষ্টিৰ সহায়ত আনৰ অনুভূতি জগাই তোলা।'[২৯]

প্ৰাচ্য আৰু পাশ্চাত্য উভয়তে প্ৰাচীন কালত সৌন্দৰ্যৰ লগত ঈশ্বৰ বিশ্বাস আৰু আধ্যাত্মিকতাৰ কথা জড়িত হৈ আছিল। ভাৰতীয় নন্দনতত্ত্বৰ সত্য, শিৱ, সুন্দৰৰ লগত পাশ্চাত্য দাৰ্শনিকৰ সৌন্দৰ্যৰ উপলব্ধিৰ আধ্যাত্মিক কাৰ্য্যৰ সাদৃশ্য থকা দেখা যায়। ওঠৰ শতিকাত ইংৰাজ দাৰ্শনিক ডেইভিদ হিউমে সৌন্দৰ্য বস্তুবোৰ চোৱা মনটোৰ মাজত সোমাই থাকে বুলিছে। ব্যক্তি বিশেষে সৌন্দৰ্যবোধৰ ধাৰণা বেলেগ বেলেগ। "ইংৰাজ সাহিত্যিক এডিছনৰ মতে ব্যক্তিভেদে সৌন্দৰ্যৰ ধাৰণাও বেলেগ হয়। এজনৰ বাবে যি সুন্দৰ, আন এজনৰ বাবে সি সুন্দৰ নহ'বও পাৰে (every different species of sensible creatures has its different notions of Beauty - spectator, 411)"[৩০] "ফ্ৰান্সিছ হাটচিচন (Francis Hutcheson) নামৰ এজন সৌন্দৰ্য সমালোচকৰ মতে, 'সৌন্দৰ্য বা সুন্দৰৰ লগত আনন্দৰ নিকট সম্পৰ্ক

২৯ ত্ৰৈলোক্য নাথ গোস্বামী, পূৰ্বোল্লোখিত পৃ.১৫৭
৩০ প্ৰফুল্ল কটকী, পূৰ্বোল্লোখিত, পৃ.২৪৪

আছে।'[৩১] ভাৰতীয় শিল্প সমালোচক কুমাৰস্বামীৰ মতে সৌন্দৰ্যৰ লগত আনন্দৰ সম্পৰ্ক আছে আৰু আনন্দবোধ সৌন্দৰ্যবোধৰ পৰা ওপজে। "সৌন্দৰ্যমণ্ডিত বস্তু বা কলাৰ সহায়ত মানুহৰ মনত যি আনন্দৰ সৃষ্টি হয় তাক ভাৰতীয় আলংকাৰিকে ৰসৰ জৰিয়তে বুজাব বিচাৰিছে। গতিকে সৌন্দৰ্যৰ লগত আনন্দ আৰু ৰসৰ সম্পৰ্ক এনেদৰে থকা দেখা হৈছিল যদিও পিছলৈ এই ধাৰণাটো কাব্য, চিত্ৰশিল্প আৰু সঙ্গীততো ব্যৱহৃত হয়। অভিনৱগুপ্ত আৰু তেওঁৰ অনুগামী লেখকসকলৰ দিনৰে পৰা ৰসক এটা সম্পূৰ্ণৰূপে মানসিক অৱস্থা বুলিহে গ্ৰহণ কৰা হয়। এই মানসিক অৱস্থাটো অনন্য সদৃশ আৰু অতুলনীয়। "ৰসৰ জৰিয়তে যি আনন্দ পোৱা হয় ই ভূমানন্দৰ সদৃশ আৰু ই এক প্ৰকাৰ আত্মাৰ পৰিপূৰ্ণতা। এই ভূমানন্দৰ তুলনা নাই।"[৩২]

কলাৰ মুখ্য কাম হ'ল সৌন্দৰ্য সৃষ্টি কৰা, সৌন্দৰ্য সৃষ্টিৰ জৰিয়তে যি আনন্দ পোৱা যায়, ই ইন্দ্ৰিয়াতীত আনন্দ, যিটোক ব্ৰহ্মস্বাদ সহোদৰ সদৃশ বুলি ক'ব পৰা যায়। আনন্দ ইন্দ্ৰিয়ভোগ্য নহয়, ইন্দ্ৰিয় আনন্দ লাভৰ মাধ্যমহে, মানুহে খাই থাকোতে আনন্দ পায়, সেই আনন্দ জিভাৰ জৰিয়তে লাভ কৰে। কিন্তু কবিতা এটাৰ পাঠেও পাঠকক আনন্দ দিয়ে, ইয়াৰ পৰা যেনেধৰণৰ আনন্দৰ অনুভূতিৰ উদ্ভৱ হয়, সেই অনুভূতি ইন্দ্ৰিয়ই ঢুকি নাপায়। দৰ্শনেন্দ্ৰিয়ৰ জৰিয়তে লাভ কৰা সেই অনুভূতিৰ-আনন্দৰ ক্ষেত্ৰত চকু ইন্দ্ৰিয়টো আনন্দৰ এটা মাধ্যমহে। আনন্দ লাভ কৰে মনৰ জৰিয়তেহে। মনে শৰীৰৰ তৃপ্তি আৰু মনৰ প্ৰয়োজনীয়তাত কাম কৰে। শৰীৰৰ তৃপ্তিৰ বাবে, প্ৰয়োজনীয়তা পূৰণৰ বাবে কৰা কামে ব্যৱহাৰিক প্ৰয়োজনীয়তা পূৰণ কৰে। শাৰীৰিকভাৱে যি আনন্দ পোৱা যায়, সি ক্ষণস্থায়ী কিন্তু মানসিকভাৱে যি আনন্দ পোৱা যায়, সি দীৰ্ঘস্থায়ী। কীটছে Endymion : A Poetic Romance ত উল্লেখ কৰিবৰ দৰে "A thing of beauty is a joy forever / Its loveliness increases, it will never / pass into nothingness."

পাশ্চাত্যৰ সমালোচকসকলে মনৰ উচ্চতম স্থানলৈ গতি কৰাকে আনন্দ বুলিছে। কিন্তু ভাৰতীয় আলংকাৰিকসকলে আনন্দৰ সংজ্ঞা বেলেগ ধৰণেৰে দিছে। তেওঁলোকৰ মতে কাব্যপাঠৰ জৰিয়তে যি

৩১ ত্ৰৈলোক্য নাথ গোস্বামী, *সাহিত্য আলোচনা,* পৃ.১৫৮
৩২ ত্ৰৈলোক্য নাথ গোস্বামী, উল্লিখিত, পৃ. ৫৯৭

আনন্দ পোৱা যায় সেয়া ভূমানন্দ, অখণ্ড আনন্দ (transedantal delight) যি ব্ৰহ্মস্বাদ সহোদৰ সদৃশ। তেতিয়া আনন্দই ৰস, ৰসেই আনন্দ হৈ পৰে, এই আনন্দ অপাৰ্থিৱ। ব্ৰহ্মস্বাদ মানে হ'ল ব্ৰহ্মক আস্বাদন কৰা আৰু পৰম ব্ৰহ্ম যেনেদৰে অসীম, অনন্ত আৰু অখণ্ড তেনেদৰে কাব্যপাঠৰ জৰিয়তে লাভ কৰা আনন্দও অসীম, অনন্ত আৰু অখণ্ডক অনুভৱ কৰা অপাৰ্থিৱ আনন্দৰ সদৃশ। সেইবাবে কাব্যানন্দৰ জৰিয়তে পোৱা অনাবিল আনন্দক ব্ৰহ্মক আস্বাদন কৰি পোৱা ৰসৰ সহোদৰ সদৃশ বুলি তুলনা কৰা দেখা যায়। ভাৰতীয় নন্দনতত্ত্বৰ বিশিষ্ট উপাদান সৌন্দৰ্য, আনন্দ আৰু ৰস পৰস্পৰ সম্পৰ্কযুক্ত। কলাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত সৌন্দৰ্যক ভৰতে কাব্যৰ শোভা বুলিছে। বামনৰ মতে কাব্যৰ বাবে সৌন্দৰ্য আৰু অলংকাৰ একেই।

ইউৰোপীয় সাহিত্য, পাশ্চাত্য সাহিত্যিকৰ দৃষ্টিভংগী সম্পূৰ্ণ ৰূপে ঐহিক। সেয়ে পাশ্চাত্য সাহিত্যত কাৰুণ্যৰ অধিক প্ৰতিফলন ঘটা দেখা যায়। কিন্তু ভাৰতীয়ৰ মতে ঐহিকটো সম্পূৰ্ণ নশ্বৰ। ভাৰতীয় সাহিত্যই ঐহিক জীৱনক অতিক্ৰম কৰি গৈছে সেয়ে ভাৰতীয় জীৱনদৰ্শন তথা সাহিত্যত Tragedy ৰ স্থান নাই। ভৱভূতিয়ে যদিও 'একো ৰস কৰুণমেৱ' বুলি কৰুণ ৰসক সৰ্বশ্ৰেষ্ঠ আসন দিছে, অৱশ্যে এই ক্ষেত্ৰত তেওঁ অকলশৰীয়া। ভাৰতীয় সাহিত্যই ভূমাস্পৃহা জগাবৰ চেষ্টা কৰি আহিছে। ভূমাস্পৃহাৰ জৰিয়তে ভূমানন্দ লাভ কৰিব পাৰি। আনকি শঙ্কৰদেৱৰ অজামিল উপাখ্যান কাব্যত অজামিলক 'নাৰায়ণ' উচ্চাৰণৰ বাবেই পৰলোকত সকলো দোষৰ পৰা মুক্ত কৰি দিয়া দেখা যায়। বহুবোৰ ঋণাত্মক কামেৰে যমদূতৰ মুখামুখি হ'বলৈ বাধ্য হোৱা পৰিস্থিতিৰ পৰা বিষ্ণুদূতৰ লগত স্বৰ্গগামী হোৱাৰ অন্তৰালত ভাৰতীয় সাহিত্যত সৎকৰ্মৰ পুৰস্কাৰ যে পৰলোকতো লাভ কৰিব পাৰি তাৰ প্ৰমাণ দাঙি ধৰা দেখা যায়।

**২.৪.০ নন্দনতাত্ত্বিক ধাৰণা ঃ**

নন্দনতত্ত্বই বিভিন্ন বিষয়ক সূচাব পাৰে। নন্দনতত্ত্বই কেতিয়াবা কাৰোবাৰ বাবে এটা বিষয় (object) হ'ব পাৰে, কাৰোবাৰ বাবে এক ধৰণৰ সিদ্ধান্ত (judgement) হ'ব পাৰে, ই এক প্ৰকাৰৰ মানসিকতা (attitude), এক ধৰণৰ অভিজ্ঞতা (experience) বা এক ধৰণৰ মূল্যায়নো (value) হ'ব পাৰে। অৰ্থাৎ ব্যক্তিবিশেষে মন, মেজাজ, মানসিকতা, বুদ্ধ্যাংক (IQ) ৰ আধাৰত নন্দনতত্ত্ব বা নন্দনতত্ত্ব সম্পৰ্কীয় ভাৱনাৰ ভিন্নতা থকা দেখা যায়। কিয়নো "Aesthetic has come to be used

to designate among other things, a kind of object, a kind of judgement, a kind of attitude, a kind of experience, a kind of values." [৩৩]

## ২.৫.০ নন্দনতাত্ত্বিক অভিজ্ঞতা ঃ

নন্দনতাত্ত্বিক অভিজ্ঞতা এক প্ৰকাৰৰ মানসিক অভিজ্ঞতা, যি অভিজ্ঞতা জগতৰ সৌন্দৰ্যমণ্ডিত বস্তুত নাই , কিন্তু কলাৰ সংস্পৰ্শত/মাধ্যমেদি সহৃদয়জনৰ হৃদয়ত অনুভূত হয়। ভাৰতীয় বা প্ৰাচ্যৰ আলংকাৰিক সকলৰ মতে এনেধৰণৰ নন্দনতাত্ত্বিক অভিজ্ঞতাই হ'ল ৰস।

দ্বিতীয়তে, নন্দনতাত্ত্বিক অভিজ্ঞতা এক প্ৰকাৰৰ তুৰীয়া অভিজ্ঞতা, কাৰণ কলাবৃত্তিৰ পৰা আনন্দ লাভৰ সময়ত নিজৰ ব্যক্তিচেতনা সাময়িকভাৱে লোপ পায়। কাব্যৰ পাঠে পাঠকৰ বাহ্যিক চেতনা সাময়িকভাৱে লোপ পোৱায়। ৰসগ্ৰাহীয়ে কলাকাৰৰ সৈতে সম্পূৰ্ণ সহমৰ্মিতা প্ৰকাশ কৰে আৰু কলাকাৰ, চৰিত্ৰৰ মাজত একাত্ম কিবা এক বিশেষ ধৰণৰ একাত্মীয়তা অনুভৱ কৰে। চৰিত্ৰৰ সৈতে একাত্মতা অনুভৱে কাব্যসমূহক সাধাৰণজনৰ কাষ চপাই নিয়াত সহায়ক হয় আৰু কাব্যও কালজয়ী আৰু ৰসোত্তীৰ্ণ হৈ পৰে।

তৃতীয়তে, নন্দনতাত্ত্বিক অভিজ্ঞতাৰ এটা প্ৰধান লক্ষণ হ'ল নিৰপেক্ষতা। নন্দনতাত্ত্বিক অভিজ্ঞতাৰ সৈতে জড়িত হৈ থাকে মনৰ কিছু অৱস্থা, মনোভঙ্গী, আৱেগ। দাৰ্শনিক ইমানুৱেল কান্টৰ মতে মানুহৰ বিচাৰ-বিবেচনাত নন্দনতাত্ত্বিক ধাৰণা নিহিত হৈ থাকে।

## ২.৬.০ পাশ্চাত্য নন্দনতত্ত্বৰ জন্ম আৰু বিকাশ ঃ

নন্দনতত্ত্ব বা সৌন্দৰ্যশাস্ত্ৰ শিল্প সৃষ্টিৰ সমসাময়িক কালতেই জন্ম লাভ কৰা এক প্ৰাচীন শাস্ত্ৰ। শিল্পৰ যোগেদি প্ৰকাশিত মানৱ মনৰ আনন্দৰ বহিঃপ্ৰকাশৰ এই সৌন্দৰ্য প্ৰকাশৰ নানা দৃষ্টিভঙ্গীৰ পৰীক্ষা বা ব্যাখ্যা, বিশ্লেষণ কৰা এই শাস্ত্ৰৰ নামেই হ'ল নন্দনতত্ত্ব। [৩৪]

---

৩৩ Habib, পূৰ্বোল্লিখিত, পৃ. 373

৩৪ নন্দনতত্ত্ব বা সৌন্দৰ্যশাস্ত্ৰ একটি প্ৰাচীন শাস্ত্ৰ; এর উৎপত্তি শিল্প সৃষ্টিৰ প্ৰথম তৎপৰতাৰ সমসাময়িক। শিল্প মানৱমনের আনন্দিত উপলব্ধিৰ বহিঃপ্ৰকাশ এবং সেই শিল্পকে সৌন্দৰ্যর নানান দৃষ্টিকোন থেকে পৰীক্ষা বা ব্যাখ্যা বিশ্লেষণ কৰা হয় যে শাস্ত্ৰ, তার নাম নন্দনতত্ত্ব। -সৈয়দ মনুজুরল ইছলাম, পূৰ্বোল্লিখিত, পৃ.৭

শিল্প বা কলাৰ উৎপত্তিৰ সমান্তৰালকৈ জন্ম হোৱা নন্দনতত্ত্বৰ এটা সুপ্ৰাচীন ইতিহাস আছে। নন্দনতত্ত্বক কলাৰ দৰ্শন (philosophy of art) আৰু সৌন্দৰ্যৰ শাস্ত্ৰ (theory of beauty) দুই ধৰণেৰে খ্ৰীষ্টপূৰ্ব কালৰে পৰা আলোচনা কৰা দেখা যায়। গ্ৰীক দাৰ্শনিক প্লেটোৱে তেওঁৰ dialogue ত কলাৰ স্বৰূপ নিৰ্ণয়েৰে নন্দনতত্ত্বৰ কলাৰ দৰ্শন হিচাপে অধ্যয়নৰ পাতনি মেলে। প্লেটোৰ পৰৱৰ্তী এৰিষ্ট'টলৰ, হোৰেছ, লঙ্গিনাছ, প্লটিনাছৰ চিন্তাৰে নন্দনতত্ত্বৰ নতুন দিশৰ উন্মোচন হৈ বোমগাৰ্টেন, ইমানুৱেল, কাণ্ট আদি জাৰ্মান দাৰ্শনিকৰ চিন্তাৰে নতুনত্ব লাভ কৰিলে। তেওঁলোকেই নন্দনতত্ত্বক কলাৰ দৰ্শনৰ (Philosophy of art) ৰ পৰা বেলেগকৈ সৌন্দৰ্যৰ তত্ত্ব (theory of beauty) হিচাপে প্ৰতিষ্ঠাপিত কৰিলে। ইয়াৰ পৰৱৰ্তীসময়ত ওৱৰ্ডচৱৰ্থ, শ্বেলী, কীটছ, কোলেৰিজ আদিয়ে কাব্যৰ আলোচনাৰ প্ৰসঙ্গত সৌন্দৰ্যতত্ত্বৰ নতুন নতুন দিশসমূহ উন্মোচন কৰিলে। অৱশ্যে এই সময়ছোৱাতে গটিয়াৰৰ নেতৃত্বত কলাৰ উদ্দেশ্য সম্পৰ্কে নতুন নতুন প্ৰশ্ন উত্থাপিত হ'ল। কলা কেৱল কলাৰ বাবে (Art for Arts Sake) ধাৰণাৰ আধাৰত কলা কৈৱল্যবাদী ধাৰণা আৰু ধাৰাই গা কৰি উঠিলে। বিংশ শতিকাৰ প্ৰথমাৰ্ধত বেনেদেতো ক্ৰোচে, টি. এছ. এলিয়ট আদিয়ে নন্দনতত্ত্বক নিজস্ব চিন্তাৰে সমৃদ্ধশালী কৰি তুলিছে। অৰ্থাৎ কলা বা শিল্পৰ সমসাময়িকভাৱে জন্ম লাভ কৰা নন্দনতত্ত্ব বা নন্দনতত্ত্ব সম্বন্ধীয় চিন্তাধাৰাত সময়ৰ লগে লগে পৰিৱৰ্তন আৰু পৰিবৰ্ধন আহিলেও কলা, শিল্পৰ প্ৰসঙ্গত নন্দনতত্ত্ব অবিছিন্ন হৈয়ে থাকিব। শিল্প বা কলাক নন্দনতত্ত্বৰ আধাৰত বিচাৰ কৰাটোৱেই নন্দনতত্ত্বৰ প্ৰাথমিক চৰ্ত, আৰু সেই চৰ্তত উত্তীৰ্ণ কলা বা শিল্পইহে কালজয়ী, মহৎ সাহিত্য হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়। অৱশ্যেই নন্দনতত্ত্বৰ বিচাৰত উত্তীৰ্ণ হ'বৰ বাবেই ৰচকে-স্ৰষ্টাই পূৰ্ব ধাৰণা আগত লৈ শিল্পকলাৰ সৃষ্টিত জড়িত নহয়। "বাৰ্ট্ৰাণ্ড ৰাছেলে তেওঁৰ History of Western Philosophy ত লিখিছে যে এফালৰ পৰা চালে প্লটিনাছ শেষ আৰু আৰম্ভণ দুয়োটাই। গ্ৰীকসকলৰ কাৰণে তেওঁ শেষ বিন্দু আৰু খ্ৰীষ্টিয়ান জগতৰ কাৰণে তেওঁ আৰম্ভণ।"[৩৫] খ্ৰীষ্টপূৰ্বৰ পৰা খ্ৰীষ্টাব্দ পঞ্চমলৈ পাশ্চাত্য

---

৩৫ Plotinus is both an end a beginning - an end as regards the Greeks, a beginning as regards Christendom - Betarnd Russel - History of Western Philosophy. ত্ৰৈলোক্য নাথ গোস্বামী, পূৰ্বোল্লিখিত, পৃ. ৭০

নন্দনতত্ত্বৰ ক্ৰমবিকাশৰ প্ৰথম স্তৰ বুলি ধৰি লৈ ত্ৰৈলোক্য নাথ গোস্বামীয়ে খ্ৰীষ্টীয় পঞ্চমৰ পঞ্চদশলৈ মধ্যযুগ আৰু খ্ৰীষ্টীয় পঞ্চদশৰ পৰা বৰ্তমানলৈ নন্দনতত্ত্বৰ বিকাশৰ তিনিটা স্তৰৰ কথা নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য গ্ৰন্থত আলোচনা কৰিছে।

### ২.৭.০ প্ৰাচ্য-পাশ্চাত্যৰ নন্দনতত্ত্বৰ পাৰ্থক্য ঃ

● পাশ্চাত্যত নন্দনতত্ত্বৰ পদ্ধতিভিত্তিক অধ্যয়ন খ্ৰীষ্টপূৰ্ব কালৰে পৰা চলি আহিছে। প্ৰাচীন গ্ৰীচত খ্ৰী.পূৰ্ব কালতে প্লেটো এৰিষ্টটলৰ দিনত কাব্যতত্ত্ব নামেৰে আৰু পৰৱৰ্তী কালত নন্দনতত্ত্ব নামেৰে একেটা বিষয়ৰে হাজাৰ বছৰ ধৰি ব্যাপক ৰূপত অধ্যয়ন চলি আহিছে।

ভৰতৰ নাট্যশাস্ত্ৰৰ ৰসৰ সংজ্ঞাৰে প্ৰাচ্যৰ নন্দনতত্ত্বৰ অধ্যয়নৰ আৰম্ভণি হয়। গ্ৰীক, ৰোমান, ইংলেণ্ডৰ নন্দনতত্ত্ববিদৰ তুলনাত প্ৰাচ্যৰ আলংকাৰিকৰ সংখ্যা তুলনামূলকভাৱে কম। অৰ্থাৎ আৰম্ভণিৰ সময় আৰু আলোচকৰ সংখ্যা দুয়োটাতে প্ৰাচ্য-পাশ্চাত্যৰ প্ৰভেদ পৰিলক্ষিত হয়।

● কাব্যসৃষ্টিৰ প্ৰক্ৰিয়া, প্ৰকৃতি, শ্ৰোতাৰ ওপৰত প্ৰভাৱৰ ক্ষেত্ৰতো প্ৰাচ্য-পাশ্চাত্যৰ পাৰ্থক্য দেখা যায়। প্ৰাচ্যৰ দৃষ্টিভংগী পাৰলৌকিক আৰু পাশ্চাত্যৰ দৃষ্টিভংগী ঐহিক হোৱা বাবেই তেওঁলোকৰ সৃষ্টি তথা সৃষ্টি সম্বন্ধীয় তত্ত্বৰ ক্ষেত্ৰতো পাৰ্থক্য পৰিলক্ষিত হয়।

● পাশ্চাত্যৰ অনুকৃতি (mimesis), অনুকৰণ (imitation) সম্পৰ্কীয় চিন্তাৰ প্ৰতি প্ৰাচ্যৰ আলংকাৰিক অধিক আগ্ৰহী নহয়।

● প্ৰাচ্য-পাশ্চাত্য নন্দনতত্ত্বৰ প্ৰাথমিক পাৰ্থক্যটো হ'ল 'ভাৰতীয় নন্দনতত্ত্ব বা কাব্যতত্ত্ব প্ৰাচীন গ্ৰীকদেশীয় কাব্যতত্ত্বৰ দৰে এটা দাৰ্শনিক ভেটিত প্ৰতিষ্ঠিত নহয়। প্ৰকৃততে আমাৰ (প্ৰাচ্য) কাব্যতত্ত্ব ব্যাকৰণ শাস্ত্ৰৰ ভেটিতহে প্ৰতিষ্ঠিত।'[৩৬]

● প্ৰাচ্যৰ কাব্যতত্ত্বই কাব্যৰ দেহ, অলংকৰণ, ৰেহ-ৰূপ, সহৃদয়ৰ মনত তাৰ প্ৰভাৱৰ প্ৰতি অধিক আগ্ৰহী। ব্যাকৰণ নিৰ্ভৰশীল প্ৰাচ্যৰ কাব্যতত্ত্ব কাব্যৰ উপৰিভাগৰ অলংকৰণ আৰু তাৰ প্ৰতিক্ৰিয়াৰ অধ্যয়নতে সীমাবদ্ধ হৈ থাকিল।

---

৩৬ কবীন ফুকন, *ভাৰতীয় কাব্যতত্ত্ব আৰু য়ুৰোপীয় কাব্যতত্ত্ব*, পৃ.৩১

● "কাব্যৰ সৃষ্টি ৰহস্যক লৈ প্ৰাচ্যৰ আলংকাৰিক পাশ্চাত্যৰ নন্দনতাত্ত্বিকৰ দৰে উৎকণ্ঠিত নহয়। এইটোৱেই প্ৰাচীন য়ুৰোপীয় কাব্যতত্ত্ব আৰু প্ৰাচীন ভাৰতীয় কাব্যতত্ত্বৰ মাজত ডাঙৰ পাৰ্থক্য।"[৩৭] প্ৰাচ্যৰ কাব্য সৃষ্টিৰ অন্তৰালত উদ্দেশ্য স্পষ্টকৈ জিলিকি থকাৰ বাবেই কাব্যৰ সৃষ্টি ৰহস্যক লৈ আলংকাৰিকসকল উৎকণ্ঠিত নহয়। লগতে পুৰাণ-ভাগৱতৰ পৰা অনুদিত কাব্যবোৰতো অনুসৃষ্টি, অনুবাদৰ কথাহে জড়িত হৈ থাকে। সেয়ে এটা পূৰ্ব প্ৰস্তুত কাহিনীক নতুন ৰূপ দিয়াৰ ক্ষেত্ৰত নতুন পাঠক সকল কাব্যৰ সৃষ্টি ৰহস্যক লৈ সততে উৎকণ্ঠিত নোহোৱাটোৱে স্বাভাৱিক।

## ২.৮.০ পাশ্চাত্য নন্দনতত্ত্বৰ বিকাশৰ স্তৰ ঃ

নন্দনতত্ত্ব সাহিত্য, কলাৰ লগত জড়িত এক বিশেষ বিষয়। পাশ্চাত্য আৰু প্ৰাচ্য সমালোচকসকলৰ দৃষ্টিভংগীৰ ভিন্নতা থাকিলেও মূলতঃ নন্দনতত্ত্বই সাহিত্যৰ ক্ষেত্ৰত একেবোৰ দিশকে গুৰুত্ব দিয়া দেখিবলৈ পোৱা যায়।

পাশ্চাত্য নন্দনতত্ত্বৰ বিকাশৰ দুটা স্তৰ দেখা যায় — প্লেটোৰ পৰা বোমগাৰ্টেনলৈ আৰু বোমগাৰ্টেন, কান্টৰ পৰা পৰৱৰ্তীকালীন সময়লৈ। প্লেটোৰ পৰা বোমগাৰ্টেনলৈ সকলো দাৰ্শনিকে নন্দনতত্ত্বক কলাৰ দৰ্শন হিচাপে আলোচনা কৰিছিল। কিন্তু গটিয়াৰে যেতিয়া কলা কেৱল কলাৰ বাবে *(Art for Arts sake)* অৰ্থাৎ কলা কৈৱল্যবাদী ধাৰণাৰ জন্ম দিলে তেতিয়াৰে পৰা নন্দনতত্ত্ব অধ্যয়নৰ বহুতো নতুন দিশৰ সূচনা হ'ল। নন্দনতত্ত্বইও এটা নতুন মাত্ৰা তথা দিশ লাভ কৰিবলৈ ধৰিলে।

প্লেটো, এৰিষ্ট'টল, হোৰেচ, লঙ্গিনাছ, বোমগাৰ্টেন, কান্ট, হেগেল, ৱৰ্ডচৱৰ্থ, শ্বেলী, কীট্‌ছ, ৱাল্টাৰ পেটাৰ, টলষ্টয়, বেনেদেটো ক্ৰোচে, এলিয়ট, জ্যা পল ছাত্ৰে, আলবেয়াৰ ক্যেমু, উম্বাৰ্ট ইক' আদি পাশ্চাত্য নন্দনতাত্ত্বিকৰ নন্দনতত্ত্ব সম্পৰ্কীয় গভীৰ আৰু বিশ্লেষণাত্মক অধ্যয়নে পাশ্চাত্য নন্দনতত্ত্বৰ স্বৰূপ উপলব্ধি কৰাত সহায় কৰে।

---

৩৭ কবীন ফুকন, উল্লিখিত, পৃ.৩২

## ২.৯.০ পাশ্চাত্য নন্দনতাত্ত্বিকৰ দৃষ্টিভংগীৰ আলোচনা ঃ

"পাশ্চাত্য দেশৰ ভালেমান নন্দনতাত্ত্বিক লেখকে আৰ্ট আৰু সৌন্দৰ্যৰ বিচাৰৰ মাজত আৱদ্ধ থকা নন্দনতত্ত্বৰ আলোচনা দৰ্শনৰে এটা দিশৰ আলোচনা বুলি মত প্ৰকাশ কৰে।"[৩৮]

টলষ্টয়ে *What is Art* পুথিত যুৰোপীয় খ্ৰীষ্টীয়ান জগতৰ সম্পদশালী ব্যক্তিৰ মাজত প্ৰায় এশ পঞ্চাছ বছৰ মানৰ আগতে নন্দনতাত্ত্বিক আলোচনাৰ উদ্ভৱ হয় বুলি মত প্ৰকাশ কৰিলেও আচলতে দৰ্শনৰ এটা ধাৰা হিচাপে নন্দনতত্ত্ব প্লেটো, এৰিষ্ট'টলৰ দিনৰে পৰা চৰ্চিত হৈ আহিছে। সেই সময়ত যদিও কলাৰ আধাৰত নন্দনতত্ত্বৰ বিচাৰ কৰা হৈছিল, পৰৱৰ্তী কালত অৰ্থাৎ নন্দনতত্ত্ব স্বতন্ত্ৰ বিজ্ঞান হিচাপে প্ৰতিষ্ঠাপিত হোৱাৰ পৰা ইয়াক কেৱল নান্দনিক দিশৰ আধাৰতহে বিচাৰ কৰাৰ পৰম্পৰা আৰম্ভ হ'ল।

প্ৰাচীন গ্ৰীকসকলৰ মাজতেই ইতিহাসে সঠিক কৰিব নোৱৰা কালত, অনুমান মতে যীশুখৃষ্টৰ জন্মৰ ৬০০ মান বছৰৰ আগত, যুৰোপীয় কাব্যতত্ত্বৰ সূচনা হয়। যুৰোপীয় কাব্যতত্ত্বৰ প্ৰসঙ্গত কবীন ফুকনে মন্তব্য আগবঢ়াইছে যে কবিতাৰ সৃষ্টি প্ৰক্ৰিয়া, কবিতাৰ প্ৰকৃতি আৰু কবিতাই পাঠক, শ্ৰোতাৰ মনোজগতত পেলোৱা প্ৰভাৱৰ আধাৰতে সাধাৰণতে নন্দনতত্ত্বৰ সামগ্ৰিক আলোচনা আগবঢ়োৱা হয়।

পাশ্চাত্য নন্দনতত্ত্বৰ আলোচনাৰ প্ৰসঙ্গত সাধাৰণতে দুটা ধাৰা দেখা যায়। প্ৰাচীন গ্ৰীক আৰু ৰোমান দাৰ্শনিক সকলে নন্দনতত্ত্বক *Philosophy of Art* হিচাপে আলোচনা কৰিছিল আৰু বোমগাৰ্টেন, কান্টৰ দিনৰে পৰা *Art for Arts Sake-* ৰ আধাৰত আলোচিত হৈ আহিছে। নন্দনতত্ত্বৰ আলোচক সকলক নন্দনতাত্ত্বিক বুলি কোৱা হয়। "বুদ্ধিমত্তাৰ মোহ মুক্ত প্ৰয়োগ ক্ষমতা"[৩৯] - সম্পন্ন সমালোচক সকলকেই তাত্ত্বিক আখ্যা দিয়া হয়। *Sacred Wood* নামৰ পুথিত সংকলিত *'The Perfect Critic'* শীৰ্ষক ৰচনাত যাক টি.এছ. এলিয়টে *'Disinterested exercise of intelligence'*[৪০] বুলিছে।

প্লেটো, এৰিষ্ট'টলৰ প্ৰাচীন গ্ৰীক কাব্যতত্ত্বত কবিতাৰ সৃষ্টি ৰহস্য, স্বধৰ্ম নিৰ্ণয় আৰু প্ৰতিক্ৰিয়া বিচাৰ — এই তিনিওটা কথাই ঠাই পাইছিল। "শিল্প বস্তুৰ ঐক্য সাধনৰ তথা ঐক্যৰ ধাৰণাকে যুৰোপীয় কাব্যতত্ত্ব তথা নন্দনতত্ত্বৰ ভেটি নিৰ্মাণ কৰি গৈছিল।[৪১]

---

৩৮ ত্ৰৈলোক্য নাথ গোস্বামী, পূৰ্বোল্লিখিত, পৃ. ৩৬২

৩৯ কবীন ফুকন, পূৰ্বোল্লিখিত, পৃ. ৫

৪০ কবীন ফুকন, উল্লিখিত, পৃ. ৫

৪১ কবীন ফুকন, উল্লিখিত, পৃ. ৬

পাশ্চাত্য নন্দনতাত্ত্বিকৰ কাব্যৰ নন্দনতত্ত্ব সম্পৰ্কীয় ধাৰণাৰ এনেদৰে আলচ আগবঢ়াব পাৰি -

- **প্লেটো (খৃ.পূ. ৪২৭)ঃ**

প্লেটোৰ অনুগামী চক্ৰেটিছৰ সাতোটা আঠোটা সংলাপত সংৰক্ষিত হৈ থকা প্লেটোৰ সাহিত্য সম্বন্ধীয় আলোচনাবোৰ নিৰ্দিষ্ট এখন গ্ৰন্থত লিপিৱদ্ধ হৈ থকা নাই। তথাপিও পাশ্চাত্য দৰ্শনত সৌন্দৰ্যতত্ত্বৰ বিষয়ে আলোচনা কৰিবলৈ হ'লে গ্ৰীক দাৰ্শনিক প্লেটোৰ পৰাই আৰম্ভ কৰিব লাগিব। "খৃ.পূ. চতুৰ্থ শতিকাৰ প্ৰথমাৰ্ধত এই সংলাপবোৰ প্লেটোৱে লিখে বুলি পণ্ডিত সকলে ভাবে।"[৪২] প্লেটোৰ উদ্দেশ্য আছিল আদৰ্শ ৰাষ্ট্ৰ স্থাপন কৰা। সেয়ে, তেওঁৰ মতে কবিসকলো কলাকাৰ, কলা হ'ল অনুকৰণৰ অনুকৰণ। "প্লেটোৰ মতে অনুকৃতি মাত্ৰেই অপকৃতি, অসৎ, অবিদ্যমান। কাব্য কেৱল কল্পিত অৰ্থাৎ আচল নহয়, অৰ্থাৎ ভ্ৰম বা ভুৱাহে...। কবিতা প্লেটৰ দৰ্শনত অগ্ৰাহ্য। আদৰ্শনীয় গণৰাজ্যত সেয়ে কবি আৰু কবিতাৰ সমুচিত স্থান নাই।"[৪৩] আদৰ্শ ৰাজ্যত কবিৰ স্থান নাথাকিলেও প্লেটোৰ কলা সম্পৰ্কীয় মতামতে পৰৱৰ্তী সময়ত এই বিষয়ত নতুন চিন্তা-চেতনাৰ বাট মুকলি কৰে। "এলফ্ৰেড নৰ্থ হোৱাইট হেডেও মন্তব্য কৰিছে যে, প্লেটোৰ পিছত পশ্চিমৰ সকলো দৰ্শন, প্লেটোৰ ৰচনাৰ তলত লিখা মন্তব্যৰ Footnote ৰ দৰেহে।"[৪৪] প্লেটোৰ মতে সকলো ভাল কবিয়ে নিজৰ চেষ্টাৰ বলত নিলিখে। তেওঁলোক প্ৰেৰিত হ'লেহে তেওঁলোকৰ দ্বাৰা কাব্য সৃষ্টি সম্ভৱ হ'ব পাৰে। সম্পূৰ্ণৰূপে সুস্থ অৱস্থাত থাকিলে তেওঁ কাব্য সৃষ্টি কৰিব নোৱাৰে। প্লেটোৰ মতে প্ৰেৰিত অৱস্থাটো এটা অস্বাভাৱিক অৱস্থা। কবিসকল ভৱিষ্যৎ বক্তা সকলৰ দৰেই। ভাৰতীয় সকলেও সৃষ্টি ক্ষমতাৰ বাবে ভগৱানৰ কৰুণা বিচাৰে। কিন্তু ভগৱানক সৃষ্টিৰ একমাত্ৰ কাৰণ বুলি নাভাবে।

প্লেটোৰ *Republic* গ্ৰন্থৰ দ্বিতীয় আৰু তৃতীয় অধ্যায়ত কবিৰ প্ৰতি অবিশ্বাস প্ৰকাশ পোৱাৰ দৰেই - "এই গ্ৰন্থৰ দশম অধ্যায়ত আৰু প্লেটোৰ শেহ বয়সৰ ৰচনা লজ *(Laws)* নামৰ গ্ৰন্থত, কবিতাৰ অশুভ নৈতিক পৰিণামৰ বিষয়ে প্লেটোৱে দুৰ্ঘোৰ ওজৰ তুলিছে।"[৪৫]

---

৪২ ত্ৰৈলোক্য নাথ গোস্বামী, পূৰ্বোল্লিখিত, পৃ. ৪

৪৩ অৰূপ কুমাৰ গোস্বামী, পূৰ্বোল্লিখিত, পৃ. ২৭৫

৪৪ বিজয় চন্দ্ৰ ভাগৱতী, *দৰ্শনৰ বিচাৰ,* পৃ. ৫২

৪৫ কবীন ফুকন, পূৰ্বোল্লিখিত, পৃ. ১০

দৰাচলতে প্লেটোৰ ধাৰণাত *Imitation* বা *representation* আৰু গ্ৰীক ভাষাত *mimesis* ৰ ধাৰণা অনুকৃতিয়ে অপ্ৰিয় আৰু হীন অৰ্থ বহন কৰে। প্লেটোৰ বিখ্যাত শয্যা বা বিছনাৰ উদাহৰণেই তেওঁৰ অনুকৃতিৰ ধাৰণা স্পষ্ট কৰি তোলে। প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰত কবিৰ প্ৰৱেশহীনতাৰ মূলতেই হ'ল - *Ancient quarrel between philosophy and poetry.* দৰ্শন তথা নীতিশাস্ত্ৰৰ মতে কবিতাই কাব্য গুণানুসাৰে অনৈতিকতাক উচতাই থাকে। "কবিতাই আনকি দেৱ-দেৱীকো মনুষ্যৰ দৰে পাপ-প্ৰৱঞ্চনা-প্ৰতিশোধ আদিত লিপ্ত হোৱা কথাক সজাই-পৰাই বৰ্ণনা কৰে।... কবিতাৰ বিপক্ষে প্লেটোৰ অভিযোগৰ এইটো এটা ঘাই কাৰণ।"[৪৬] খ্ৰীষ্টপূৰ্ব কালীন গ্ৰীক দাৰ্শনিক প্লেটোৰ কাব্য সম্পৰ্কীয় দাৰ্শনিক চিন্তা-চেতনা সম্পৰ্কে খ্ৰীষ্ট্ৰীয় ষোড়শ শতিকাৰ অসম মুলুকৰে শঙ্কৰদেৱ অৱগত হোৱাটো সময়, ভূগোল, উপলব্ধ যোগ্যতা - সকলো দিশৰে পৰা অসম্ভৱ আছিল। প্লেটোৱে আদৰ্শ ৰাষ্ট্ৰৰ পৰা কবিক আঁতৰোৱাৰ প্ৰসঙ্গত কবি বা কাব্য সম্পৰ্কে যি ধাৰণা আগবঢ়াইছে সেই ধাৰণাৰ আধাৰত ওলোটা ধৰণেৰে শঙ্কৰদেৱৰ কাব্য বিচাৰ কৰিলে দেখা যায় যে -

- প্লেটোৰ সময়ত সৰ্বজনৰ ধাৰণা আছিল যে, সকলো কবিয়েই শিক্ষক। *The greater the poet, the greater the teacher*। সেয়ে প্লেটোৱে সাহিত্যত নৈতিক মূল্যৰ কথা কৈছিল। দৈৱৰ দ্বাৰা প্ৰেৰিত কবিয়ে প্লেটোৰ কাংক্ষিত ৰাজ্যত নৈতিক মূল্য দিয়াক লৈ প্লেটো সন্দিহান আছিল। সেয়ে প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰত কবিৰ স্থান নাছিল। শঙ্কৰদেৱৰ সামগ্ৰিক কাব্যক প্লেটোৰ দাৰ্শনিক চিন্তাৰ আধাৰত এই নিৰ্দিষ্ট দিশত অধ্যয়ন কৰিলে দেখা যায় যে সাহিত্যৰ নৈতিক মূল্যৰ সন্দৰ্ভত শঙ্কৰদেৱৰ কাব্য প্লেটোৰ সাহিত্যৰ উদ্দেশ্যৰ সৈতে মুঠেই ভিন্ন নহয়। প্লেটোৰ কবিৰ দৰেই শঙ্কৰ কবিয়েও সাহিত্যৰ যোগেদি নৈতিক মূল্যৰেই প্ৰচাৰ কৰিব বিচাৰিছিল। কবিতাৰ অশুভ নৈতিক পৰিণাম প্ৰসঙ্গত শঙ্কৰদেৱৰ "ধিক কবি তামসিক ধৰ্ম ধৰিবাৰ নোহে ইটো যোগ্যজন" বুলি পীতাম্বৰ কবিৰ প্ৰতি কৰা মন্তব্য বিশেষভাৱে উল্লেখ কৰিব পাৰি।
- প্লেটোৰ বিচাৰত কাব্য এক অনুকৃতি আৰু অনুকৃতি হোৱাৰ কাৰণেই তেওঁৰ দৰ্শনত কাব্য গ্ৰহণযোগ্য নহয়। তেওঁৰ মতে অনুকৃতি মানেই অসৎ, অবিদ্যমান, কল্পিত ভুৱা। প্লেটোৰ এই দৃষ্টিভঙ্গী তেওঁৰেই শিষ্য এৰিষ্ট'টলে অস্বীকাৰ কৰি থৈ গৈছে। শঙ্কৰদেৱৰ কাব্যৰ প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে শঙ্কৰদেৱৰ প্ৰত্যেকখন কাব্যৰে একোখনকৈ আধাৰ গ্ৰন্থ থাকিলেও শঙ্কৰদেৱে মূল কাহিনীৰ প্ৰয়োজন অনুসৰি এনে নতুন ৰূপ দিছে যি মূলৰ সৌন্দৰ্যও হ্ৰাস কৰা নাই অথচ শঙ্কৰদেৱৰ কাব্যৰো, নিজস্ব পৰিচয় দাঙি ধৰিছে।

---

৪৬ কবীন ফুকন, উল্লিখিত, পৃ. ১১

● কবিতাই দেৱ-দেৱীক সাধাৰণ মানুহৰ দৰে অৱতীৰ্ণ কৰাই ... এই প্ৰসঙ্গত প্লেটোৱে আচলতে কবিতাৰ বিষয় তথা কবিতাৰ নায়ক-নায়িকা আদি চৰিত্ৰৰ কথাই বৰ্ণাব বিচাৰিছে। এই প্ৰসঙ্গত শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰসঙ্গ আহি পৰে এনেদৰে যে, শঙ্কৰদেৱৰ কাব্য সমূহতো পৰিস্থিতি সাপেক্ষে নায়ক ভগৱানে সাধাৰণ মানুহৰ দৰে সুখে-দুখে একোটা মানৱীয় চৰিত্ৰৰ ৰূপত অৱতীৰ্ণ হ'ব লগা হয়। উদাহৰণস্বৰূপে *ৰুক্মিণী হৰণ* কাব্যত নায়ক ভগৱান কৃষ্ণই কুণ্ডিল ৰাজৰ কন্যা ৰুক্মিণীক সয়ম্বৰৰ প্ৰাক্‌মুহূৰ্তত হৰণ কৰি সাধাৰণ প্ৰেমিক হৈ পৰিছে। প্লেটোৰ মতে ভগৱান সদৃশ চৰিত্ৰৰ এনেধৰণৰ মানৱীয় কৰণেই হৈছে -*Ancient quarrel between philosophy and poetry.* অৰ্থাৎ ৰুক্মিণী হৰণ কাব্যই প্লেটোৰ কবিতাৰ বিষয় আৰু বৈশিষ্ট্যক পৰোক্ষভাৱে প্ৰতিনিধিত্ব কৰিছে। এনেদৰে প্লেটোৰ কাব্য তথা কাব্য ধাৰণাৰ আধাৰত শ্ৰীমন্ত শংকৰদেৱৰ কাব্য উত্তীৰ্ণ হোৱা পৰিলক্ষিত হয়।

### ☐ এৰিষ্টটল (খ্ৰী. পূ. ৩৮৪-৩২২) ঃ

প্লেটোৰ শিষ্য এৰিষ্টটলে প্লেটোতকৈ অধিক বিজ্ঞান সন্মত ৰূপত কলা তথা কাব্য সম্পৰ্কীয় আলোচনা আগবঢ়াইছে। এৰিষ্টটলৰ *Poetics* ত উল্লেখ আছে, কবিতাৰ বৰ্ণনাৰ মাজত থকা সাৰ্বজনীন ৰূপৰ প্ৰকাশেই কবিতা আৰু ইতিহাসৰ মাজত পাৰ্থক্য আনি দিছে। ইয়েই ইতিহাসতকৈ কবিতাক বেছি অৰ্থবোধক আৰু দাৰ্শনিক ভাৱৰ বাহক কৰি তোলে। অৱশ্যে এৰিষ্টটলে যেতিয়া "কবিতাৰ কথা কৈছে তেতিয়া দুই প্ৰকাৰ কবিতাই তেওঁৰ চকুৰ আগত ভাঁহি আহে। এই দুই প্ৰকাৰৰ কবিতা হ'ল নাটকীয় কবিতা আৰু মহাকাব্য।"[৪৭] প্লেটোৰ অনুকৃতি *(mimesis)* ৰ দৰেই *Aristotle* ও গুৰুত্ব দিছে অনুকৰণৰ (imitation) ওপৰত। *"It is in Chapter 3. There he talks about how imitation is natural to man, how we are the most imitative ctreatures and how we delight in works of imitation."*[৪৮] য'ৰ পৰাই আচলতে আনন্দ পোৱা যায় তাতেই সৌন্দৰ্য নিহিত হৈ থাকে। এৰিষ্টটলৰ মতে সৌন্দৰ্য হৈছে সেই মঙ্গল যি সুখকৰ; সুন্দৰ আৰু মঙ্গল পৰস্পৰ পৰিপূৰকহে, কোনো কাৰো অধীন নহয়।[৪৯]

---

৪৭ ত্ৰৈলোক্য নাথ গোস্বামী, পূৰ্বোল্লিখিত, পৃ. ১৮

৪৮ *The oxford translation of Aristotle edited by W.D. Ross and appearing in Art in its significance by Stefen David Ross 3rd ed. 1994.*

৪৯ Rhetorics গ্রন্থে তিনি বলেছেন, সৌন্দর্য-হচ্ছে সেই মঙ্গল, যা মঙ্গলকৰ বলেই সুখকর। সুন্দর ও মঙ্গল একটি আরেকটির পরিপূরক, কেউ কারো অধীন নয়। - সৈয়দ মনজুরল ইছ্‌লাম, পূৰ্বোল্লিখিত, পৃ. ২৩

এৰিষ্ট'টলে তেওঁৰ গুৰু প্লেটোৰ সৌন্দৰ্য সম্পৰ্কীয় ভাববাদী ধাৰণাৰ বিপৰীতে মন্তব্য আগবঢ়াইছিল। "মেটাফিজিক্স" গ্ৰন্থত প্লেটোৰ ধাৰণাৰ সুস্পষ্ট প্ৰতিবাদ কৰি এৰিষ্ট'টলে কৈছিল - সৌন্দৰ্য কেৱল এটা ধাৰণা নহয়। সুন্দৰতা বস্তুৰ মাজতেই নিহিত থাকে। বস্তুৰ সুন্দৰতাত তিনিবিধ উপাদানৰ সমন্বয় ঘটে সেয়া হ'ল পৰিপূৰকতা, সামঞ্জস্য আৰু স্পষ্টতা।[৫০]

## ☐ হোৰেছ (খ্ৰী.পূ. ৬৫-০৮) ঃ

পাশ্চাত্যৰ নন্দতাত্ত্বিকসকলৰ ভিতৰত ৰোমান দাৰ্শনিক হোৰেছ অন্যতম। প্লেটো আৰু এৰিষ্ট'টলৰ দৰে দাৰ্শনিক হৈও প্ৰধানকৈ এজন সৃষ্টিধৰ্মী লেখক হিচাপে পৰিচিত হোৰেছে সম্ৰাট আগষ্টাছৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। হোৰেছৰ মতে "এটা কবিতা সৌন্দৰ্যৰ আধাৰ হোৱাৰ উপৰিও ইয়াত থাকিব লাগে মনোহৰণৰ ক্ষমতা।"[৫১] অৱশ্যে কেনে উপায়েৰে কবিতা এটা মনোহাৰী কৰিব পাৰি, এই প্ৰশ্নৰ বিচাৰ তেওঁ কৰা নাই। কিন্তু তেওঁৰ উপদেশ হ'ল যে কবিতাৰ বিষয়বস্তুৰ উপস্থাপন সম্পূৰ্ণৰূপে গতানুগতিক হ'ব নালাগে।

*Ars Poetica* নামে পৰিচিত গ্ৰন্থত হোৰেছে স্পষ্টভাৱে পৰামৰ্শ দিছে যে —

"দুটা দিশত কবিতাৰ উপযোগিতা আছে - ই আনন্দ আৰু শিক্ষা দুয়োটাকে দিয়ে। কবিসকলে সহৃদয়জনক আনন্দ দিয়াৰ লগতে জীৱনৰ আৱশ্যকীয় আৰু উপযোগী উপদেশো দান কৰে। যিজন লোকে উপকাৰ আৰু আনন্দ সন্মিলিত কৰিব পাৰে, তেওঁ সকলোৰে পৰা সমাদৰ লাভ কৰিব পাৰে; কাৰণ তেওঁ পাঠকক আনন্দ আৰু শিক্ষা দুয়োটাকে দিয়ে।"[৫২]

এতেকে হোৰেছৰ কবিতা তথা কবিতাৰ উদ্দেশ্য সম্পৰ্কীয় এই দৃষ্টিভংগীৰ লগত শঙ্কৰদেৱৰ কাব্যৰো আনন্দ আৰু শিক্ষা দিয়াৰ উদ্দেশ্যধৰ্মিতাৰ সাদৃশ্য থকা দেখা যায়। হোৰেছৰ মতে কবিৰ প্ৰতিভা আৰু শিল্প চাতুৰ্য দুয়োটা পৰস্পৰ নিৰ্ভৰশীল। অৰ্থাৎ কাব্যৰ সৌন্দৰ্য স্ৰষ্টাৰ কাব্য প্ৰতিভা আৰু শিল্প

---

৫০ সৌন্দর্য কখনই একটি ধারণামাত্র নয় এবং সৌন্দর্যের কারণ বস্তুর মধ্যেই নিহিত আছে। যেকোন বস্তুই সুন্দর বলে বিবেচিত হতে পারে যদি তার মধ্যে তিনটি উপাদানের সমন্বয় ঘটে। এই তিনটি উপাদান তার মতে - সঠিক পারম্পর্য, সামঞ্জস্য এবং স্পষ্টতা।'তৰুণ মুখোপাধ্যায় (সম্পা.), পূৰ্বোল্লিখিত, পৃ. ৫৭

৫১ ত্ৰৈলোক্য নাথ গোস্বামী, পূৰ্বোল্লিখিত, পৃ. ৩৬

৫২ Ars Poetica - lines 344-346, ত্ৰৈলোক্য নাথ গোস্বামী, উল্লিখিত, পৃ. ৪০

চাতুর্য তথা শিল্প নির্মাণ কৌশলৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল। শঙ্কৰদেৱৰ সাহিত্যৰ সৌন্দৰ্যৰ সম্পৰ্কত কবি (শঙ্কৰদেৱ) প্ৰতিভা আৰু শিল্প নিৰ্মাণ চাতুৰ্য (*ৰুক্মিণী হৰণ* কাব্য আৰু নাটক এই প্ৰসঙ্গত প্ৰকৃষ্ট উদাহৰণ) দুয়োটাতে হোৰেছৰ নন্দনতত্ত্ব সম্পৰ্কীয় ধাৰণাৰ আধাৰত উত্তীৰ্ণ হোৱা দেখা যায়। সেইদৰে, হোৰেছৰ মতে কাব্যই সহৃদয়জনক আনন্দ দিয়াৰ লগতে জীৱনৰ আৱশ্যকীয় আৰু উপযোগী পৰামৰ্শও দান কৰে। শঙ্কৰদেৱে কাব্য চৰ্চা কৰিছিল সমকাল তথা সমকালীন সমাজক লক্ষ্য ৰাখি, গতিকে স্বাভাৱিকতেই শঙ্কৰদেৱৰ কাব্যত সমকালীন সমাজ তথা সহৃদয়, সামাজিক লোকজনৰ উপযোগী আৰু আৱশ্যকীয় পৰামৰ্শও দান কৰিছিল। অৱশ্যেই সেই সময়ৰ সাধাৰণজনৰ বাবে শঙ্কৰদেৱেই ইহলোকৰ পূণ্যৰে পৰলোকত পৰমাত্মাৰ মিলনসাধ্য এক পৰিশীলিত, পৰিমাৰ্জিত জীৱনৰ সন্ধান দিছিল।

**☐ লঙ্গিনাছ ঃ**

প্ৰথম ৰোমান্টিক সমালোচক হ'ল লঙ্গিনাছ। সাহিত্যিক *appreciation* ৰ ক্ষেত্ৰত তেওঁ এজন পথিকৃত। তেওঁক ৰোমান্টিক সমালোচক বোলা হয়, কাৰণ তেওঁ সাহিত্যৰ ৰোমান্টিকতাক (ক্ৰিয়াশীলতা /*function*/উদ্দেশ্যধৰ্মিতা) নৈতিক উদ্দেশ্যতকৈ *(moral function)* তকৈ অধিক বিশ্বাস কৰে।

*Longinus defines the literary sublime as "excellence in language" the expression of a great spirit and the power to provoke 'ecstacy' in one's readers... The best audiance for the sublime is refined, cultivated one.*[৫৩]

লঙ্গিনাছৰ মতে *"The sublime and the beautiful then, work hand in hand, with the sublime experience being at the same time an experience at beauty that surpasses normal limitations of thought and sentiment."* [৫৪]

যদিও লঙ্গিনাছৰ *On the Sublime* নামৰ গ্ৰন্থখন খ্ৰীষ্টীয় প্ৰথম শতিকাতে ৰচিত হৈছিল তথাপি নন্দনতত্ত্বৰ অধ্যয়নৰ প্ৰসঙ্গত এই গ্ৰন্থখনক প্ৰথমে আলোচনাৰ আওতালৈ অনা হোৱা নাছিল।

৫৩ *Wikipedia https://eng.wikipedia>or>wiki>sublime.*
৫৪ *Wikipedia https://eng.wikipedia>or>wiki>sublime.*

১৬৭৪ চনত ফৰাছীলৈ অনূদিত হোৱাৰ পাছতহে নন্দনতত্ত্বৰ অধ্যয়নৰ প্ৰসঙ্গত '*On the subllime*' শীৰ্ষক গ্ৰন্থখন আলোচিত হ'বলৈ ধৰিলে।

লঙ্গিনাছ্ৰ মতে, *sublimely* ৰ উৎপত্তিস্থল পাঁচটাৰ আধাৰত শ্ৰীমন্ত শঙ্কৰদেৰৰ সাহিত্য অধ্যয়নেৰে লাভ কৰা সৌন্দৰ্য তথা তুঙ্গত প্ৰাপ্তি *(Sublimity)* ৰ সাদৃশ্য বা সম্পৰ্ক এনেদৰে উল্লেখ কৰিব পাৰি -

- **চমৎকাৰী কল্পনাৰ সামৰ্থ্য ঃ**

লঙ্গিনাছে কাব্যৰ জৰিয়তে লাভ কৰা *Sublimity* বা তুঙ্গত্বৰ লগত সৌন্দৰ্যৰ সম্পৰ্ক আছে বুলি কৈছে। তেওঁৰ মতে *Sublimity* ৰ আদৰ্শ জড়িত হৈ আছে কিছুমান কাব্যৰীতিৰ সৌন্দৰ্যৰ লগত। লঙ্গিনাছ্ৰ মতে কোনো এখন মহৎ গ্ৰন্থই পাঠকক মোহিত কৰে আৰু সাময়িকভাৱে পাঠকজন আত্মবিস্মৃত হয়। কিন্তু সহৃদয়জনক প্ৰতিবাৰে এইদৰে মোহিত কৰিব পৰাৰ ক্ষমতা পুথিখনৰ থাকিব লাগিব। যদি বাৰে বাৰে অধ্যয়ন কৰা সত্ত্বেও পুথিখন নীৰস আৰু কৌতুহল শূন্য হয় আৰু আনহাতে ইয়াৰ বাৰে বাৰে নতুন নতুন আনন্দ দান কৰাৰ ক্ষমতা থাকে, তেন্তে বুজিব লাগিব যে পুথিখনৰ এনে এক আভ্যন্তৰীণ সৌন্দৰ্য আছে যি সৌন্দৰ্য চিৰস্থায়ী। হোমাৰৰ ইলিয়াদৰ উদ্ধৃতিৰে লঙ্গিনাছে তুঙ্গত্ব *Sublimity* ৰ পাঁচটা উৎসৰ কথা উল্লেখ কৰে। কোনো গ্ৰন্থৰ অধ্যয়নে পাঠকক তুঙ্গত্বলৈ লৈ যাব পৰা কাৰকেই আচলতে সৌন্দৰ্যৰো উৎস। কাৰণ পাঠক সৌন্দৰ্যাভিভূত নহ'লে কেতিয়াও *(Sublimity)* অৰ্থাৎ তুঙ্গত্বলৈ গতি কৰিব নোৱাৰে। সেয়ে চমৎকাৰী কল্পনাৰ সামৰ্থ, শক্তিশালী আৰু প্ৰেৰণাযুক্ত ভাৱৰ উদ্দীপক, অলংকাৰ সংযোগ, উন্নত প্ৰকাশ ভঙ্গী আৰু গম্ভীৰ আৰু উচ্চ ৰচনাকৌশলতেই কোনো গ্ৰন্থৰ সৌন্দৰ্য লুকাই থাকে; যি সৌন্দৰ্যই পাঠকক আত্মভিভূত, আত্মবিস্মৃত কৰি এক অলৌকিক জগতলৈ লৈ যায়। পাঠকৰ সেই আত্মবিভোৰ, অথচ অপাৰ্থিৱ মুহূৰ্তই হ'ল লঙ্গিনাছ্ৰ '*sublimity*'। এয়াই হ'ল লঙ্গিনাছ্ৰ নন্দনতাত্ত্বিক দৃষ্টিভঙ্গীৰ একেবাৰে প্ৰাথমিক ধাৰণা।

খ্ৰীষ্টীয় প্ৰথম শতাব্দীত ৰচিত হোৱা বুলি অনুমান কৰা *On the sublime* ৰ স্ৰষ্টা লঙ্গিনাছ্ৰ নন্দনতত্ত্বৰ আধাৰ বা নন্দনতত্ত্ব সম্পৰ্কীয় দৃষ্টিভঙ্গীৰ আধাৰত শ্ৰীমন্ত শঙ্কৰদেৰৰ কাব্যৰ বিচাৰ কৰিলে দেখা যায় যে —

- লঙ্গিনাছ্ৰ মতে, *sublimity* ৰ উৎপত্তি স্থল পাঁচটাৰ আধাৰত শঙ্কৰদেৰৰ সাহিত্য

অধ্যয়নেৰে লাভ কৰা সৌন্দৰ্য তথা তুঙ্গত্ব প্ৰাপ্তি *(Sublimity)*ৰ সাদৃশ্য বা সম্পৰ্ক এনেদৰে উল্লেখ কৰিব পাৰি -

- সাহিত্য অধ্যয়নেৰে পাঠকজন চমৎকাৰী কল্পনাৰ এখন পৃথিৱীলৈ গতি কৰিব পাৰিব লাগে। অৰ্থাৎ সাহিত্যই চমৎকাৰী সৃষ্টিৰে পাঠকক অভিভূত কৰে আৰু পাঠকে বাস্তৱৰ পৃথিৱীতকৈ কল্পনাৰ পৃথিৱীৰ প্ৰতি আগ্ৰহী হৈ পৰে। শঙ্কৰদেৱৰ সাহিত্যৰ এই চমৎকাৰী কল্পনা সামৰ্থযুক্ত। সেয়ে শঙ্কৰী সাহিত্যই পাঠকক বাৰে বাৰে এখন চমৎকাৰী অলৌকিক জগতলৈ লৈ যায়। শঙ্কৰদেৱৰ প্ৰত্যেক পুথিয়েই বৰ্তমানৰ পৃথিৱীতকৈ এখন 'নিকাৰ শূন্য' সংসাৰৰ আভাস দিয়ে।

অজামিল উপাখ্যানৰ স্বৰ্গৰ বৰ্ণনা প্ৰসঙ্গত দেখা যায় -

অজামিল উপাখ্যানত ৪৭ টা পদত নৰকৰ বৰ্ণনা দিছে। নৰকৰ বৰ্ণনাৰে পাঠক দৰাচলতে এখন বিপৰীত প্ৰতিচ্ছবি দাঙি ধৰাহে শঙ্কৰ কবিৰ উদ্দেশ্য। কল্পনাৰ চমৎকাৰী বৰ্ণনাৰে পাঠকক অপাৰ্থিৱ জগতলৈ নিব পৰাটো শঙ্কৰদেৱৰ অনবদ্য কৃতিত্ব।

- সময়ৰ ভিন্নতা সত্বেও লঙ্গিনাছৰ সময় আঃ খ্ৰীষ্ট্ৰীয় প্ৰথম শতাব্দী আৰু শঙ্কৰদেৱৰ সময়, ভূগোল অতিক্ৰমি লঙ্গিনাছ শঙ্কৰদেৱৰ ওচৰ পোৱাহি নাছিল। অৰ্থাৎ শঙ্কৰদেৱে লঙ্গিনাছৰ নাম পৰ্যন্ত শুনাও সম্ভৱপৰ নাছিল। তৎসত্বেও শঙ্কৰদেৱৰ সাহিত্যৰ সৌন্দৰ্যৰ স্বৰূপ উপলব্ধিৰ প্ৰসঙ্গত লঙ্গিনাছৰ নন্দনতত্ত্বৰ আধাৰত শঙ্কৰদেৱৰ কাব্য বিচাৰ কৰিব পাৰি।

- লঙ্গিনাছৰ মতে মহৎ গ্ৰন্থই পাঠকক মোহিত কৰে আৰু পাঠক আত্মবিস্মৃত হয়। শঙ্কৰদেৱৰ কাব্যৰ প্ৰসঙ্গত এই যুক্তি সপক্ষেই যোৱা পৰিলক্ষিত হয়। তোমাৰেসে জী জমাই তোমাৰেসে ঘৰ তুমি সে আপুনি হৈবা আমি হৈবো পৰ - *ৰুক্মিনী হৰণ*ৰ এই পদফাকিয়ে তাহানিৰে পৰা অসমীয়া পাঠকক মোহিত কৰি ৰাখিছে।

- শতিকা শতিকা ধৰি কাব্যৰ পাঠে পাঠকক অম্লান সৌন্দৰ্য দান কৰি অভিভূত কৰি ৰাখিছে। পাঠক প্ৰতিবাৰেই আত্মভিভূত হয় আৰু তেওঁলোকৰ মনে তুঙ্গত্ব *(sublimity)* লাভ কৰে। "সিংহ এৰি শুকৰক খোজে কোন প্ৰাণী / দুগ্ধ এৰি কোনজনে পিয়ে ক্ষাৰ পানী।" গাখীৰৰ পৰিৱৰ্তে কোনো মানুহেই কেতিয়াও ক্ষাৰ পানী গ্ৰহণ নকৰে। তেনেস্থলত ৰুক্মিনীয়ে কিয় ক্ষাৰ পানী সদৃশ শিশুপালক বৰণ কৰিব? দুগ্ধ, ক্ষাৰপানী - এনেবোৰ পৰিচিত তুলনাই পাঠকক অম্লান আনন্দ দান কৰে।

### ☐ প্লটিনাছ ঃ

মিচৰদেশীয় পণ্ডিত প্লটিনাছ (খ্ৰীষ্ট্ৰিয় ২০৫-৯৬৯)ৰ ৰচনাত য়ুৰোপীয় কাব্যতত্ত্বই নতুন স্তৰত উপনীত হয়। প্লেটোৰ দৰ্শনৰ নতুন ব্যাখাৰ বাবে তেওঁ নব্য-প্লেট'নিক দৃষ্টিভঙ্গীৰ প্ৰতিষ্ঠাতা ৰূপে পৰিচিত হয়।

“সাহিত্যক তৃপ্তিদায়ক বা নীতিশিক্ষামূলক বুলি নাভাবি তেওঁ সৌন্দৰ্য বিচাৰৰ পথ লৈছিল আৰু এনেকৈয়ে তেওঁ সকলো ব্যৱহাৰিক সজ্ঞানতা পৰিহৰি অসীম অনন্ত সৌন্দৰ্যৰ পিনে আগবাঢ়িছিল। কাব্যৰ প্ৰকাৰ, কৌশল আৰু উৎস-ভিত্তিক প্ৰকৃতিৰ কথা প্ল'টিনাছৰ বিবেচনাৰ বাহিৰৰ কথা। প্লটিনাছ সৰ্বময়ৰ সৈতে অতিন্দ্ৰীয় ধ্যানেৰে ৰহস্যময় একাত্ম স্থাপনত বিশ্বাসী আছিল।”[৫৫]

প্লেটোৰ দাৰ্শনিক চিন্তা-চেতনাক নতুন দৃষ্টিভঙ্গীৰে লক্ষ্য কৰা প্লটিনাছৰ কাব্যতত্ত্বত প্লেটোৰ কাব্যতত্ত্বত থকাৰ দৰে ৰাষ্ট্ৰ বা ৰাজনীতিৰ প্ৰসঙ্গৰ উল্লেখ থকা দেখা নাযায়। প্লটিনাছৰ সৌন্দৰ্যৰ ধাৰণা অনুসৰি -কেৱল যৌগিক পদাৰ্থ এটাহে সুন্দৰ হ'ব পাৰে। যিবোৰ বস্তুৰ অংশ নাই, সেইবোৰ সুন্দৰো নহয়। এটা গোট বস্তুৰ বিভিন্ন অংশবোৰৰো সৌন্দৰ্য আছে, কিন্তু বিচ্ছিন্নভাৱে নহয়। যেতিয়া এই অংশবোৰ মিলিত হৈ এটা সামগ্ৰিক ৰূপ গ্ৰহণ কৰিব তেতিয়াহে এইবোৰ হ'ব সৌন্দৰ্যমণ্ডিত।[৫৬]

প্লটিনাছৰ সৌন্দৰ্য সম্পৰ্কীয় এই ধাৰণাৰে কবিতাৰ প্ৰসঙ্গ আলোচনা কৰিলে উল্লেখ কৰিব পৰা যায় যে কবিতাৰ সুন্দৰতা দৰাচলতে কবিতাৰ সামগ্ৰিক আবেদনৰ ওপৰতে নিৰ্ভৰ কৰে। কবিতা এটাক কবিতা কৰি তোলা শব্দবোৰ, প্ৰতীক, চিত্ৰকল্প, অলংকাৰ সকলোবোৰৰ সু-সমন্বয়েহে কাব্যক সৌন্দৰ্যশালী কৰি তোলে। গতিকে, শঙ্কৰদেৱৰ কাব্যৰ প্ৰসঙ্গত সামগ্ৰিক বা যৌগিক সৌন্দৰ্যলৈ লক্ষ্য কৰিলে দেখা যায় শঙ্কৰদেৱৰ কাব্য স্বতন্ত্ৰ আৰু সম্পূৰ্ণ সৌন্দৰ্য সম্পন্ন। কিন্তু এই সৌন্দৰ্যক সম্পূৰ্ণতা দান কৰিছে কবিতাটো গঢ়ি উঠা বিভিন্ন ধৰণৰ ধুনীয়া উপাদানসমূহে। *ৰুক্মিণী হৰণ* কাব্য বিষয়বস্তু, শ্ৰৱণযোগ্যতা, ৰমণীয়তা, ৰস, শব্দ, অৰ্থ, প্ৰবচন আদিৰে সৰ্বাঙ্গ সুন্দৰ হৈহে সৌন্দৰ্যময় হৈ পৰিছে।

সৌন্দৰ্যৰ উপলব্ধিক আধ্যাত্মিক কাৰ্য বুলি বিশ্বাস কৰা প্লটিনাছৰ মতে, “সৎ আদৰ্শ উপলব্ধিৰ

---

৫৫ কবীন ফুকন, পূৰ্বোল্লিখিত, পৃ. ২৬

৫৬ ত্ৰৈলোক্য নাথ গোস্বামী, পূৰ্বোল্লিখিত, পৃ. ৬৫

কাৰণে মানুহে পবিত্ৰ আৰু ধাৰ্মিক জীৱন যাপন কৰিব লাগে। এই লক্ষ্যত উপনীত হোৱাৰ কাৰণে ৰিপু-পৰৱশতা আৰু অন্যান্য জৈৱিক কামনা-বাসনাৰ পৰা আত্মা মুক্ত হ'ব লাগিব।"[৫৭] "ফন্দিলো মায়াৰ পাশে", "লোভ মোহে দুহো বাঘ", "মোৰ মায়া পাশ ছোড়" আদি শঙ্কৰদেৱৰ কবিতাৰ মাজেৰে প্লটিনাছৰ *Philosophy of art* হিচাপে নন্দনতত্ত্বৰ চিন্তাৰ ধ্বনিয়েই প্ৰতিধ্বনিত হৈছে বুলিব পৰা হয়।

*Plotinus is both an end and beginning - an end as regards the Greeks, a beginning as regards Christendom.*[৫৮]

*History of Western Philosophy* ত বাৰ্টাণ্ড ৰাছেল *(Bertrand Russell)*ৰ প্লটিনাছৰ প্ৰসঙ্গত কৰা এই মন্তব্যই প্ৰমাণ কৰে যে নন্দনতত্ত্বক *Philosophy of Art* বুলি অধ্যয়ন কৰা আলোচনাই প্লটিনাছত সামৰণি মাৰিছে, খ্ৰীষ্টীয়ান জগতৰ কাৰণে আৰম্ভণিৰ সূচনা কৰিছে।

**☐ ছাৰ ফিলিপ ছিডনী (৩০ নৱেম্বৰ ১৫৫৪ চন- ১৭ অক্টোবৰ ১৫৮৬) ঃ**

এলিজাবেথীয় যুগৰ প্ৰসিদ্ধ কবি ছাৰ ফিলিপ ছিডনীয়ে অনুকৰণৰ প্ৰসঙ্গত এৰিষ্টটল মতৰ সমৰ্থক আছিল। অৱশ্যে ছিডনীৰ চিন্তাত হোৰেছৰ দৰে কাব্যই শিক্ষা আৰু আনন্দ দুয়োটাই দান কৰে বুলি কৰা বিশ্বাসেও ক্ৰিয়া কৰিছিল। এই চিন্তাও শঙ্কৰদেৱৰ কাব্যৰ আদৰ্শৰ লগত মিলে।

**☐ ৰেনে ডেকাৰ্ট (১৫৯৫-১৬৫০ চন) ঃ**

দাৰ্শনিক, গণিতজ্ঞ ৰূপে পৰিচিত ৰেনে ডেকাৰ্টৰ মতে, "পাঁচটা প্ৰধান ভাৱ *(emotion)* আছে । এইবোৰ হ'ল বিস্ময়, ভালপোৱা বা ৰতি, ঘৃণা বা জুগুপ্সা, হৰ্ষ আৰু শোক।"[৫৯]

বীজ গণিতীয় সমীকৰণেৰে জ্যামিতক সমস্যা সমাধা কৰা ৰেনে ডেকাৰ্ট গণিতজ্ঞ হিচাপে পৰিচিত। ডেকাৰ্টৰ এই দিশৰ লগত প্ৰাচ্যৰ নাট্যশাস্ত্ৰ উল্লিখিত ৰসৰ মাজত সাদৃশ্য দেখিবলৈ পোৱা যায়। তেওঁৰ মতে

৫৭ ত্ৰৈলোক্য নাথ গোস্বামী, উল্লিখিত, পৃ. ৬৯
৫৮ ত্ৰৈলোক্য নাথ গোস্বামী, উল্লিখিত, পৃ. ৭১
৫৯ ত্ৰৈলোক্য নাথ গোস্বামী, উল্লিখিত, পৃ. ৮৩

কাব্য প্ৰতিভাৰ ফল, শিক্ষা-দীক্ষাৰ ফল নহয়। শঙ্কৰদেৱৰ লগত ৰেনে ডেকাৰ্টৰ এই চিন্তাধাৰাৰ মিল থকা দেখা যায়। ডেকাৰ্টৰ সাহিত্যৰ পাঁচটা ভাৱৰ লগত শঙ্কৰদেৱৰ কাব্যৰ ৰসৰ সামঞ্জস্য থকা দেখা যায়। তেনেদৰে শঙ্কৰদেৱৰ কাব্য সৃষ্টিৰ অন্তৰালত অকল শিক্ষা-দীক্ষাই নহয়, শঙ্কৰদেৱৰ কবি প্ৰতিভাও অন্যতম কাৰক বুলি বিবেচিত হৈছে। শঙ্কৰদেৱৰ অসামান্য কবি প্ৰতিভা থকা বাবেই প্ৰত্যেকখন কাব্যই বিষয়বস্তু, ভাৱবস্তু, ৰূপবস্তু আৰু ৰসবস্তুৰ ক্ষেত্ৰত বিশেষ ৰূপে পৰিগণিত হৈছে।

☐ **আলেকজেণ্ডাৰ গ্যটলেব বোমগাৰ্টেন (খ্ৰী. ১৭১৪-১৭৬২) ঃ**

জাৰ্মান নন্দনতত্ত্ববিদ আলেকজেণ্ডাৰ গ্যটলেব বোমগাৰ্টেনেই বিজ্ঞানৰ তাত্ত্বিক আৰু ব্যৱহাৰিক বিভাগৰ বাহিৰেও ৰুচি বিজ্ঞান বা নন্দনতত্ত্ব বুলি বেলেগ এটা বিভাগৰ স্বতন্ত্ৰতা প্ৰথমবাৰৰ বাবে প্ৰতিষ্ঠাপিত কৰে। বোমগাৰ্টেনে তেওঁৰ *Metaphysica* গ্ৰন্থৰ প্ৰথম পেৰাগ্ৰাফত নন্দতত্ত্বৰ সংজ্ঞা উল্লেখ কৰিছে।

*Alexander Baumgarten was the first who use the word 'aesthetics in 1735 to designate the concept of beauty as gathered through sensation and result in perfection.*[৬০]

*Leonard P. Wessel Jr. Alexender Baugmartens contribution to the Development of Aesthetics* নামৰ প্ৰবন্ধত উল্লেখ কৰিছে যে -

*Aesthetics, conceived as an autonomus science of the beautiful in which the object of investigation plays the major role in determining the ordering process of aesthetic theory, was not known in Germany before eighteenth century.*[৬১]

বোমগাৰ্টেনৰ মতে- "সৌন্দৰ্য ইন্দ্ৰিয়ৰ সহায়ত লাভ কৰা পূৰ্ণতা।"[৬২] শঙ্কৰদেৱৰ কাব্যৰ সৌন্দৰ্যইও পাঠকক আনন্দ দিব পাৰিছিল। কাব্যৰ সুন্দৰতা পঠনৰ জড়িয়তে সভাসদ, সাধুজনৰ শ্ৰুতিগোচৰ হৈছিল।

৬০ *https://www.megaessays.com*
৬১ *The journal of Aesthetics and Art Criticism (c) 1972 viewing page 333./online reading)vol 40. no. 3, spring 1972. Published by - Wiley on behalf of The American Society of Aesthetics.*
৬২ ত্ৰৈলোক্য নাথ গোস্বামী, পূৰ্বোল্লিখিত, পৃ. ১১৩।

### ☐ ইমানুৱেল কান্ট ঃ (১৭২৪-১৮০৪) ঃ

জাৰ্মান দাৰ্শনিক ইমানুৱেল কান্টক তেওঁৰ কৰ্ম আৰু চিন্তাই আধুনিক দাৰ্শনিক সকলৰ ভিতৰত বিশেষভাৱে উল্লেখনীয় কৰি তোলে। বোমগাৰ্টেনে সুকীয়া পৰিচিতি প্ৰদান কৰা নন্দতত্ত্বক প্ৰতিষ্ঠাপিত কৰে কান্টেই। তেওঁৰ তৃতীয়খন গ্ৰন্থ "*The Critique of judgement* খন '*begins with an account of beauty*"[৬৩] কান্টৰ মতে *"This rose is beautiful - is an aesthetic Judgement but Roses in general are beautiful is not an aesthetic judgement"*[৬৪]

গোলাপ ফুলৰ উদাহৰণেৰে নন্দনতাত্ত্বিক সিদ্ধান্তৰ উদাহৰণ দাঙি ধৰা কান্টে একেখন গ্ৰন্থতে সৌন্দৰ্য *(Beauty)* ক *free beauty* আৰু *accessory beauty* বুলি দুটা ভাগত ভাগ কৰিছে। *Free beauty* ৰ উদাহৰণ হিচাপে উল্লেখ কৰিছে যে ফুল এপাহ ফুল পাহৰ বাবেই ধুনীয়া; তাৰ লগত বেলেগ কোনো কথাই জড়িত হৈ থকা নাই। সেইদৰে দ্বিতীয়বিধ সৌন্দৰ্য *accessory beauty* ৰ প্ৰসঙ্গত গীৰ্জাত দেখা মানুহ আৰু ঘৰত দেখা মানুহজনৰ মাজত পাৰ্থক্য আছে বুলি কৈছে। গীৰ্জা আৰু ঘৰৰ অনুসঙ্গই একেজন মানুহৰে সুন্দৰতাক দুটা বেলেগ মাত্ৰা দান কৰিছে। অৰ্থাৎ একেজন মানুহৰ সৌন্দৰ্যৰ লগত আৰু বেলেগ দিশ (অৰ্থাৎ মানুহজনৰ অৱস্থান) জড়িত হৈ থাকিব পাৰে। ইমানুৱেল কাণ্টৰ মুক্ত সৌন্দৰ্য আৰু যুক্ত সৌন্দৰ্যৰ প্ৰসঙ্গত শঙ্কৰদেৱৰ কাব্যৰ আলোচনা কৰিলে দেখা যায় যে কাণ্টৰ গোলাপ ফুল পাহ, ফুল হিচাপেই ধুনীয়া; ঠিক তেনেদৰে শঙ্কৰদেৱৰ প্ৰতিখন কাব্যই কাব্য হিচাপে নন্দনতাত্ত্বিক গুণসমৃদ্ধ। একেদৰে যুক্ত সৌন্দৰ্য (accessaroty beauty) হিচাপে যি ঘৰত দেখা মানুহ আৰু গীৰ্জাত দেখা মানুহজনৰ প্ৰসঙ্গ উপস্থাপন কৰিছে তাৰ আধাৰত শঙ্কৰদেৱৰ কাব্যসমূহ নৱবৈষ্ণৱ ধৰ্মৰ ধৰ্মীয় উদ্দেশ্য প্ৰচাৰ-প্ৰসাৰৰ নিৰ্দিষ্ট উদ্দেশ্যৰ ৰিজনি দিব পাৰি। কাব্যসমূহ স্বয়ং সৌন্দৰ্যসম্পন্ন (free beauty / মুক্ত সৌন্দৰ্য) আৰু সিবিলাকক যদি বেলেগ অনুষঙ্গৰ লগত জড়িত কৰি আলোচনা কৰা হয় তথাপিও সুন্দৰতা মুঠেই হ্ৰাস নেপায়। বোমগাৰ্টেনে *Aesthetic* নাম দিয়া নন্দনতত্ত্বক প্ৰথমবাৰৰ বাবে কান্টেই স্বতন্ত্ৰতা প্ৰতিষ্ঠা কৰে। ইমানুৱেল কান্টৰ মতে ৰুচি এটা মানসিক

---

৬৩ *https://www.iep.utm.edu*

৬৪ *MAR Habib, A History of Literary Criticism From Plato to The Present, Calcutta-2008, P. 379*

বৃত্তি, যি বৃত্তিয়ে এটা বস্তু নাইবা তাৰ উপস্থাপনৰ কৌশল নিৰাসক্ত আনন্দ বা নিৰানন্দৰ মাপকাঠিৰ বিচাৰ কৰে। এনে আনন্দদায়ক বস্তুটোকে সুন্দৰ বুলি কোৱা হয়। *Tast is the faculty of judging an object or a mode of representing it by wholly disinterested pleasure. The object of such pleasure is called beautiful.*

সৌন্দৰ্যৰ লগত আনন্দৰ সম্পৰ্কৰ বিষয়ে কান্টৰ ধাৰণা হ'ল এনেধৰণৰ — *That in which we take pleasure, that is universal and yet independent of concepts is beautiful.* কাণ্টৰ মতে সৌন্দৰ্য আৰু আনন্দৰ সম্পৰ্ক নিবিড়। য'ত সৌন্দৰ্য আছে তাতেই আনন্দ আছে আৰু সিয়ে সাৰ্বজনীন। অৰ্থাৎ সুন্দৰতাই দিয়া আনন্দ নিৰ্দিষ্টজনৰ বাবেই নহয়, সকলোৱেই সৌন্দৰ্যই দিয়া আনন্দ উপভোগ কৰিব পাৰে। শঙ্কৰদেৱৰ কাব্যৰ প্ৰসঙ্গতো কাণ্টৰ এই ধাৰণা খাপ খাই পৰে। শঙ্কৰদেৱৰ কাব্যৰ সুন্দৰতাই (বিষয়ৰ, চৰিত্ৰৰ, লোকজীৱনৰ, ৰসৰ, ছন্দৰ, অলংকাৰ প্ৰয়োগৰ) সৃষ্টি কৰা আনন্দ অকল নিৰ্দিষ্ট অসমীয়া (নৱবৈষ্ণৱ ধৰ্মাৱলম্বী) লোকৰ মাজতে আবদ্ধ নহয়। অবৈষ্ণৱ পাঠক শ্ৰোতাও শঙ্কৰদেৱৰ কাব্যৰ সুন্দৰতাত মুগ্ধ হয়, আনন্দ লাভ কৰে। অৰ্থাৎ যিহত আমি আনন্দ পাওঁ আৰু যিটো সাৰ্বজনীন অথচ প্ৰত্যয় মুক্ত সেয়ে সুন্দৰ। কান্টৰ মতে সুন্দৰ বস্তুৰ পৰা লাভ কৰা আনন্দটো আচলতে বস্তুটোৰ পৰা অহা পোনপটীয়া আনন্দ নহয় কিন্তু ই উদ্ভূট হয় কল্পনা আৰু বুদ্ধিৰ মাজত স্থাপিত হোৱা এক প্ৰকাৰ আভ্যন্তৰীণ ঐক্যৰ কাৰণে। সেয়ে শঙ্কৰদেৱৰ *হৰিশ্চন্দ্ৰ উপাখ্যান*ৰ সন্তানৰ শ লৈ হৰিশ্চন্দ্ৰ-শৈব্যাৰ শোক, কৃষ্ণ-ৰুক্মবীৰৰ যুদ্ধ, কুৰুক্ষেত্ৰত কৃষ্ণক লৈ সকলোৰে চিন্তাক পাঠকে মনৰ চকুৰে সুন্দৰ দেখে আৰু আনন্দ লাভ কৰে।

কান্টৰ মতে সৌন্দৰ্যতাত্ত্বিক দিশৰ পৰা প্ৰকৃতিৰ দুটা ফাল চকুত পৰে। ইয়াৰে এটা ফালত আছে সৌন্দৰ্য আৰু আনটো ফালত আছে উদাত্ততা। *Beauty is a state of mind, a satisfaction which is purely subjective* অৰ্থাৎ সৌন্দৰ্য ভোক্তাৰ এবিধ মানসিক সন্তুষ্টি আৰু ই সম্পূৰ্ণ ৰূপে ব্যক্তি বিশেষৰ ওপৰত নিৰ্ভৰশীল বুলি কোৱা কান্টৰ মতে সুন্দৰ বস্তু সৃষ্টি কৰাৰ ক্ষেত্ৰত কলাকাৰৰ বিশেষ গুণটোকে প্ৰতিভা (*genius*) বুলিছে।[৬৫]

---

৬৫ *Kant defines beauty as being judged through an aesthetic experience of taste. This experience must be devoid of any concept, emotion or any interest in the object we are describing as beautiful - https://www.litkics.com>Hawken. 11-06-2020*

কান্টৰ মৰে সুন্দৰতা সম্পৰ্কে নান্দনিক বিচাৰ বিবেচনাৰ চাৰিটা মুহূৰ্ত আছে - নান্দনিক বিচাৰ নিৰ্মোহ, নান্দনিক বিচাৰ সাৰ্বজনীন, সুন্দৰ বস্তুৰ উদ্দেশ্য নাথাকিলেও উদ্দেশ্য থকা যেন লাগে আৰু চতুৰ্থতে নান্দনিক আৱশ্যকীয়তাৰ চৰ্ত পূৰণ কৰে।[৬৬]

কাণ্টৰ নান্দনিক বিচাৰ নিৰ্মোহ ধাৰণাৰ লগত শঙ্কৰদেৱৰ কাব্যৰ প্ৰসঙ্গত আলোচনা কৰিলে দেখা যায় যে সুন্দৰৰ পৰা আনন্দ শঙ্কৰদেৱৰ কাব্য পাঠৰ জৰিয়তে আনন্দ লাভ কৰা হয়; কিন্তু কাব্যই দিয়া আনন্দৰ বাবেহে যে কাব্যসমূহ সুন্দৰ এনে নহয়। দ্বিতীয়তে নান্দনিক বিচাৰৰ সাৰ্বজনীনতাৰ প্ৰসঙ্গত দেখা যায় যে, সুন্দৰতাৰ উপলব্ধি সকলোৰে বাবেই একেই। কোনো এজনে যদি সুন্দৰতা দেখে তেন্তে আন এজনেও সুন্দৰ দেখিব পাৰে। কাব্যৰ সুন্দৰতা উপলব্ধিৰ বাবে পাঠক এজনেই নহয় বহুজন থাকিব পাৰে, অৰ্থাৎ একেখন কাব্যৰ সৌন্দৰ্য উপলব্ধিৰ মাত্ৰা বেলেগ হ'ব পাৰে কিন্তু সৌন্দৰ্যৰ উপভোক্তা হাজাৰজন থাকিব পাৰে। সেয়েহে শঙ্কৰদেৱৰ কাব্যৰ পৰা ৰস আস্বাদনৰ মাত্ৰাৰ তাৰতম্য থাকিলেও যোৱা চাৰে পাঁচশ বছৰ জুৰি শঙ্কৰদেৱৰ কাব্যৰ পাঠক, শ্ৰোতা, ৰসগ্ৰাহীৰ সংখ্যা হ্ৰাস পোৱা নাই। আন বস্তু চোৱাৰ দৰেই সুন্দৰ বস্তুৰ সুন্দৰতা উপলব্ধিৰ ভাৱনা, ধৰণ একেই। অৰ্থাৎ অন্য কবিৰ কাব্যৰ সৌন্দৰ্য উপলব্ধি কৰিবৰ বাবে আগ্ৰহীজনৰ মনৰ যি অৱস্থা বিশেষ বেলেগ নহ'লেও হয়। একে মন, মেজাজ লৈয়ে যিকোনো কাব্য ৰসিকে কাব্যৰ স্বাদ আস্বাদন কৰিব পাৰে। এনেদৰে কাণ্টৰ সুন্দৰতা সম্পৰ্কীয় চিন্তাৰ আধাৰত শঙ্কৰদেৱৰ কাব্যৰ আলোচনা আগবঢ়াব পাৰি।

ৰেনে ওৱেলেকে *"Kants Aesthetic and Criticism"* ৰচনাত উল্লেখ কৰিছে যে, "আমি সিদ্ধান্ত কৰিব পাৰো যে কান্টেই আধুনিক নন্দনতত্ত্বৰ প্ৰতিষ্ঠাতা, তেওঁ স্পষ্ট ভাষাত ৰুচি বিজ্ঞানৰ সমস্যা তুলি ধৰিবলৈ সক্ষম হৈছে।"[৬৭]

কান্টৰ অনুগামী শ্বিলাৰে কলাৰ লক্ষ্য সৌন্দৰ্য সৃষ্টি বুলিছে যদিও তেওঁৰ মতে সৌন্দৰ্য সম্পূৰ্ণৰূপে মনোধৰ্মী নহয়। সৌন্দৰ্য আকাৰবিহীন এটা বিমূৰ্ত্ত ধাৰণা নহয়; ই বস্তু আৰু ৰূপ দুয়োটাই। (শ্বিলাৰৰ মতে নন্দনতত্ত্ব এক ক্ৰীড়াৰ ক্ষেত্ৰ)। সেইদৰে অন্য এজন সমালোচক হেগেলৰ মতে সৌন্দৰ্য আইদিয়াৰ প্ৰত্যক্ষ ৰূপ। গতিকে সৌন্দৰ্য আৰু সত্য একেটাই।

---

৬৬ মদন শৰ্মা, নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য, *প্ৰকাশ*, জুন ২০১৫, পৃ. ১০
৬৭ ত্ৰৈলোক্য নাথ গোস্বামী, পূৰ্বোল্লিখিত, পৃ. ১৩৪

এনেদৰেই পাশ্চাত্যৰ নন্দনতাত্বিক কেইজনমানৰ দৃষ্টিভংগীৰ আধাৰত শঙ্কৰদেৱৰ কাব্যৰ প্ৰাৰম্ভিক পৰ্যায়ৰ পৰীক্ষণ চলোৱা হৈছে।

**২.১০.০ পাশ্চাত্য নন্দনতত্ত্ববিদৰ চিন্তাৰ সৈতে শঙ্কৰদেৱৰ কাব্যসমূহৰ সদৃশতাৰ দিশ সমূহ ঃ**

**২.১০.১ নন্দনতাত্বিক ধাৰণা আৰু বিষয়ৰ সৌন্দৰ্য ঃ**

নন্দনতাত্বিক ধাৰণাৰ প্ৰথমতেই বিষয় *(Object)* হিচাপে শঙ্কৰদেৱৰ কাব্যসমূহৰ বিষয়ৰ সৌন্দৰ্য পৰিলক্ষিত হয়। হৰিশ্চন্দ্ৰ উপাখ্যানৰ হৰিশ্চন্দ্ৰ ৰজাৰ সত্যনিষ্ঠা, ৰুক্মিণীহৰণৰ শৃংগাৰ ৰসকেন্দ্ৰিক কাহিনী, অমৃত মথনৰ দেৱাসুৰৰ সকলো বিষয়েই সুন্দৰ, সৌন্দৰ্যৰে ভৰা।

**২.১০.২ নন্দনতাত্বিক সিদ্ধান্ত *(Aesthetic judgement)* আৰু শঙ্কৰদেৱৰ কাব্য ঃ**

কান্টৰ নন্দনতাত্বিক সিদ্ধান্তৰ প্ৰসঙ্গত নিৰ্মোহ, নিৰ্লিপ্ত, মোহমুক্ত *(disinterested)* ৰ ধাৰণাৰ আধাৰতো শঙ্কৰদেৱৰ কাব্যসমূহ আলোচনা কৰিব পাৰি। শঙ্কৰদেৱৰ কাব্যৰ বিষয়সমূহ নিৰ্লিপ্ত ভাৱেও যদি আলোচনা কৰা হয় তথাপিও সিবিলাকৰ সুন্দৰতা মুঠেই হ্ৰাস নাপায়। নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ আদৰ্শ আগত ৰাখি শঙ্কৰদেৱে কাব্য চৰ্চা কৰিছিল। নিশ্চিতভাৱে শঙ্কৰদেৱৰ সাহিত্যৰ এক শ্ৰেণী নিৰ্দ্দিষ্ট পাঠক আছিল। শঙ্কৰদেৱৰ কাব্যৰ প্ৰসঙ্গত 'disinterested'ৰ ব্যাখ্যা এনেদৰে আগবঢ়াব পাৰি যে শঙ্কৰদেৱৰ কাব্য অকল নিৰ্দ্দিষ্ট ধৰ্মৰ লোকৰ বাবেই নহয়। বৈষ্ণৱ ধৰ্মীয় ধ্যান, ধাৰণা, চিন্তা-চেতনাৰ প্ৰতি interestered নোহোৱা পাঠকেও সেই কাব্যত সৌন্দৰ্য বিচাৰি পাবই। অৰ্থাৎ disinterested হৈও শঙ্কৰদেৱৰ কাব্যৰ প্ৰতি মোহগ্ৰস্ত (interested) বহুতো পাঠক আছে। এনেদৰে শঙ্কৰদেৱৰ কাব্যই সকলোধৰণৰ পাঠকৰ পৰা মনোযোগ আকৰ্ষণ কৰি অহা দেখা যায়। উদাহৰণস্বৰূপে *ৰুক্মিণী হৰণ* কাব্যৰ কৃষ্ণই যদি প্ৰেমিকা ৰুক্মিণীৰ সৈতে বিয়া পাতিবলৈ দ্বাৰকাৰ পৰা নাহিলহেঁতেন তেতিয়া কৃষ্ণ চৰিত্ৰই পাঠকৰ ইমান ওচৰ চাপিব নোৱাৰিলেহেঁতন। কৃষ্ণ অকল ভগৱানেই নহয়, কৃষ্ণ প্ৰেমিকো। সেই প্ৰেমিক ৰূপৰ সনাতন ৰূপ, প্ৰেমিকাৰ প্ৰতি দায়িত্ব, প্ৰেমিকাক পত্নীলৈ পৰিৱৰ্তনৰ প্ৰচেষ্টাই কৃষ্ণক অবৈষ্ণৱ পাঠকৰ বাবে আৰাধ্য দেৱতাতকৈ আদৰ্শ প্ৰেমিক, পতি ৰূপেহে আকৃষ্ট

কৰে। বিষয়ে বিচৰাৰ দৰে পাঠক নোসোমাইও সোমাই পৰিবলগীয়া হয় বিষয়ৰ সৌন্দৰ্যৰ বাবেই। সেইবাবেই *ৰুক্মিণী হৰণ* কাব্য ধৰ্মগ্ৰন্থতকৈ কাব্য হিচাপেহে অধিক সমাদৃত তথা পৰিচিত।

### ২.১০.৩ নন্দনতাত্ত্বিক অভিজ্ঞতা *(Aesthetic experience)* আৰু শঙ্কৰদেৱৰ কাব্যত কলাৰ দৰ্শন ঃ

কবিতা সাহিত্যৰ অন্তৰ্গত, সাহিত্য সুকুমাৰ কলাৰ ভিতৰুৱা। সেয়ে শঙ্কৰদেৱৰ কাব্য সমূহো কলা আৰু কলা হিচাপে গ্ৰীক দাৰ্শনিক সকলৰ *Philosophy of Art* হিচাপে শঙ্কৰদেৱৰ কাব্যসমূহৰো অধ্যয়ন সম্ভৱপৰ। অৰ্থাৎ নন্দনতত্ত্বৰ এটা দিশ কলাৰ দৰ্শন ৰূপে শঙ্কৰদেৱৰ কাব্যসমূহ উত্তীৰ্ণ হৈছে বুলিব পাৰি।

নন্দনতাত্ত্বিক অভিজ্ঞতা চাক্ষুস নহয়, মানসিকহে। শঙ্কৰদেৱৰ কাব্যই পাঠকক মানসিক অভিজ্ঞতাহে সঞ্চয় কৰায়। কাব্য পাঠেৰে মানসিক অভিজ্ঞতা লাভ কৰাজন সহৃদয়জন হ'ব লাগে। হেগেলেৰ - 'আৰ্টৰ বিষয়বস্তু জাগতিক নহয়, আধ্যাত্মিকহে' - এই মতৰ লগত শঙ্কৰদেৱৰ সকলো কাব্যৰ বিষয়ৰ সামঞ্জস্য থকা দেখা যায়।

### ২.১১.০ পাশ্চাত্য নন্দনতাত্ত্বিকৰ নন্দনতত্ত্ব সম্পৰ্কীয় মতৰ আধাৰত শঙ্কৰদেৱৰ কাব্য অধ্যয়নৰ ফলসমূহ এনেধৰণৰ ঃ

- সৌন্দৰ্যৰ সম্পৰ্কত প্লেটোৰ অঙ্গ-সংস্থাপনৰ সু-সামঞ্জস্যৰ লগত শঙ্কৰদেৱৰ কাব্যৰ বিষয়বস্তু অনুযায়ী ছন্দ প্ৰয়োগৰ কুশলতাৰ সাদৃশ্যৰ কথা উল্লেখ কৰিব পাৰি। যুদ্ধৰ বৰ্ণনাত দ্ৰুত গতিৰ ঝুমুৰি ছন্দৰ ব্যৱহাৰ দেখা যায়। বিষয়ে দাবী কৰাৰ দৰেই আঙ্গিকৰ প্ৰয়োগে শঙ্কৰদেৱৰ কাব্যৰ সুন্দৰতা বৃদ্ধি কৰিছে।
- বিষয়বস্তুৰ উপস্থাপনৰ বৈচিত্ৰ্য আৰু বৈবিধ্যই কোনো বিষয়ক সুন্দৰ কৰি তোলে। হোৰেছৰ এই মতৰ প্ৰসঙ্গত শঙ্কৰদেৱৰ কাব্যৰ প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে *ৰুক্মিণী হৰণ*ৰ একে বিষয়ক শঙ্কৰদেৱে কাব্য আৰু নাট - সাহিত্যৰ দুটা ভিন্ন ৰূপদান কৰিছে।
- হোৰেছৰ মতে কাব্যই আনন্দ দান কৰাৰ লগতে শিক্ষাও দিয়ে। শঙ্কৰদেৱৰ কাব্যই পাঠকক অনাবিল আনন্দ দিয়াৰ লগতে জীৱন শিক্ষাও নিদিয়াকৈ নাথাকে। *অজামিল উপাখ্যানত* পাপৰ পৰিণতি আৰু পাপ হৰণেৰে অপাৰ্থিৱ জগতৰ সন্ধানেৰে হোৰেছৰ নন্দনতত্ত্বৰ ধাৰণাত শঙ্কৰদেৱৰ কাব্য উত্তীৰ্ণ হৈছে বুলিব পাৰি। আনন্দৰ মাজেৰে আধ্যাত্মিক শিক্ষা শঙ্কৰদেৱৰ কাব্যৰ মূল লক্ষ্য।

● লঙ্গিনাছৰ মতে কাব্যৰ প্ৰতি পাঠকৰ চিৰকালীন কৌতুহলতাৰ যুক্তিৰ আধাৰতো শঙ্কৰদেৱৰ কাব্য বিচাৰ কৰিব পাৰি। বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ আজিৰ যুগতো অসমীয়াৰ নৱপ্ৰজন্মই *ৰুক্মিণী হৰণ*ৰ পাত লুটিয়ায়, বৰগীত গুণগুণায়। বিশেষকৈ শঙ্কৰদেৱৰ কাব্যৰ স্থানীয় ৰহণে অনা সৌন্দৰ্যৰ প্ৰতি নতুন প্ৰজন্মৰ পাঠক অধিক আগ্ৰহী হোৱা দেখা যায়। শঙ্কৰদেৱৰ দৃষ্টি, দৰ্শন, সৌন্দৰ্যবোধ, সমাজচেতনা সকলোবোৰ কাব্যসমূহৰ মাজতেই সোমাই আছে। সেয়ে অসমীয়া পাঠকৰো শঙ্কৰদেৱৰ কাব্যৰ প্ৰতি আগ্ৰহ চিৰকালীন।

● পাশ্চাত্য নন্দনতত্ত্বৰ আলোচকসকলৰ মতে বাগাড়ম্বৰ, তুচ্চতা, নিৰ্জীৱতা আদি কাৰকে কাব্যৰ সৌন্দৰ্য হানি কৰে। শঙ্কৰদেৱৰ কাব্যৰ প্ৰসঙ্গত দেখা যায় যে শঙ্কৰদেৱৰ কাব্যৰ বিষয়বস্তুৰ গভীৰতা, চৰিত্ৰৰ মহত্ত্বই কাব্যসমূহক কেতিয়াও বাগাড়ম্বৰপূৰ্ণ বা নিৰ্জীৱ কৰি তোলা নাই। শঙ্কৰদেৱৰ কাব্যত যেনেদৰে বৰ্ণনাৰ বাহুল্য নাই ঠিক তেনেদৰে বক্তব্যক নিৰস, খৰাং কৰাও দেখা নাযায়। প্লেটো এৰিষ্টটলৰ অঙ্গ সংস্থাপনৰ সুসামঞ্জস্য (Beauty is a matter of size and proportion) কথাষাৰ যথাৰ্থতা শঙ্কৰদেৱৰ কাব্যৰ প্ৰসঙ্গতো খাটে। শঙ্কৰদেৱৰ কাব্যত বৰ্ণনীয় বিষয়ৰ গভীৰতা তথা বিশ্বাসযোগ্যতাৰ লগত চৰিত্ৰৰ উপস্থাপন তথা কাব্যৰ ভাষা আৰু ভাষাৰ প্ৰকাশক বাণীভঙ্গী তথা ছন্দবন্ধৰ সমানুপাতিক বিন্যাসে কাব্যসমূহক বাগাড়ম্বৰ যুক্ত নকৰাৰ দৰে নিৰ্জীৱো কৰি তোলা নাই। বিষয়, ভাৱ, ৰূপ, ৰস - কাব্যৰ মূল এই চাৰিওটা দিশৰ ভাৰসাম্যযুক্ত বিশ্লেষনেই শঙ্কৰদেৱৰ কাব্যসমূহ পাশ্চাত্য নন্দনতাত্ত্বিকৰ দৃষ্টিত কাব্যৰ সৌন্দৰ্য বিনষ্টৰ কাৰকৰ দোষৰ পৰাও দোষমুক্ত কৰি থৈছে। বাগাড়ম্বৰ *(Bombast)*, তুচ্চতা *(Purdity)*, নিৰ্জীৱতা *(rigidity)* ৰ শঙ্কৰদেৱৰ কাব্যৰ লগত কোনো ধৰণৰ সম্পৰ্ক পৰিলক্ষিত নহয়। লঙ্গিনাছৰ নন্দনতত্ত্বৰ এই ধাৰণাৰ আধাৰতো শঙ্কৰদেৱৰ কাব্যক আলোচনা কৰিব পাৰি। শঙ্কৰদেৱৰ কাব্যৰ শ্ৰুতি মাধুৰ্য, শব্দৰ সুপ্ৰয়োগে পাঠকক এনেদৰে অবিমিশ্ৰ আনন্দ প্ৰদান কৰে যে নিৰক্ষৰ মানুহেও শঙ্কৰদেৱৰ কাব্যৰ পদ সলসলীয়াকৈ আওৰাবলৈ সক্ষম।

● নব্য-প্লেটনিক ধাৰণাৰ প্ৰতিষ্ঠাতা প্লটিনাছৰ নন্দনতত্ত্ব সম্পৰ্কীয় ধাৰণাৰ আধাৰত শঙ্কৰদেৱৰ কাব্যৰ প্ৰসঙ্গত দেখা যায় যে, কাব্যৰ সৌন্দৰ্য উপলব্ধি আধ্যাত্মিক কাৰ্য। প্লটিনাছে গভীৰ ভাৱে বিশ্বাস কৰিছিল যে কাব্যৰ সৌন্দৰ্য উপলব্ধি আধ্যাত্মিক কাৰ্য। শঙ্কৰদেৱৰ কাব্যৰ মাজেদিও এই ধাৰণা প্ৰতিফলিত হোৱা দেখা যায়। শঙ্কৰদেৱে অসমৰ সেই সময়ৰ অজ্ঞ সৰল জনসমষ্টিক লৈ কাব্য ৰচনা কৰিছিল। তাৰ আঁৰত আছিল ভক্তি ধৰ্ম প্ৰচাৰৰ বাসনা। সেই সুহৃদ, সহৃদয় পাঠকৰ বাবে কৃষ্ণকেন্দ্ৰিক আখ্যানৰ পাঠ

স্বাভাৱিকতেই এক আধ্যাত্মিক ক্রিয়া। গতিকে তেওঁলোকে কাব্য পাঠৰ জৰিয়তে লাভ কৰা আনন্দও আধ্যাত্মিক আনন্দই হ'ব। প্ৰাচ্য আলংকাৰিকসকলৰ মতে কাব্য পাঠৰ জৰিয়তে পাঠক এক অলৌকিক জগতলৈ গুচি যায়। গতিকে কাব্য পাঠৰ জৰিয়তে তেওঁলোকে ভূমিৰ পৰা ভূমা অভিমুখী কৰা যাত্ৰাৰ জৰিয়তে ভূমানন্দই লাভ কৰে। এই অৰ্থতেই প্লটিনাছৰ কাব্যৰ সৌন্দৰ্য উপলব্ধি আধ্যাত্মিক কাৰ্য এই কথাষাৰৰ শঙ্কৰদেৱৰ কাব্যৰ প্ৰসঙ্গত গ্ৰহণীয় হোৱা দেখা যায়। প্লটিনাছৰ দৰে শঙ্কৰদেৱেও বিশ্বাস কৰিছিল নন্দনতাত্ত্বিক প্ৰমূল্য নৈতিক আৰু বৌদ্ধিক প্ৰমূল্যৰ পৰা আঁতৰত নহয়।

● প্লটিনাছৰ চিন্তাৰ দৰেই শঙ্কৰদেৱৰ কাব্যইও বহিৰ্জীৱনতকৈ অন্তৰ্জীৱনৰ প্ৰতি মানুহক অধিক আগ্ৰহী কৰিছে। কাব্যৰ পাঠে পাঠকক অভিভূত কৰে, অপাৰ্থিৱ আনন্দ দান কৰে। লগতে হোৱেছে উল্লেখ কৰিবৰ দৰে - কাব্যই আনন্দ দানৰ লগতে শিক্ষাও দান কৰে। এই শিক্ষা নৈতিকতাৰ। নৈতিক আৰু বৌদ্ধিক প্ৰমূল্যযুক্ত শিক্ষাদানে কাব্যসমূহক আনন্দ দানৰ লগতে আন এটা গুৰুত্বপূৰ্ণ অৱদানৰ কথাকে সূচায়। শঙ্কৰদেৱৰ কাব্যপাঠে সুবিমল, অনাবিল আনন্দ দান কৰাৰ লগতে হৰিশ্চন্দ্ৰৰ দৰে কৰ্ত্তব্যনিষ্ঠ চৰিত্ৰৰ উদাহৰণ, শশীপ্ৰভাৰ দৰে মাকৰ দায়িত্ব আৰু কৰ্ত্তব্য পালনৰ উদাহৰণ দাঙি ধৰি পাঠকক নৈতিক প্ৰমূল্যৰে উদ্বুদ্ধও কৰি তোলে। সেয়ে শঙ্কৰদেৱৰ কাব্যত ৰজা হৰিশ্চন্দ্ৰৰ 'সাৰোতৰ অযোধ্যা নগৰৰ' ৰজা ৰূপতকৈ বধ্যবধকৰ ওচৰত বিক্ৰী যোৱা চাণ্ডাল ৰূপটোৰ প্ৰতি পাঠক বেছি অনুভূতিশীল। অযোধ্যাৰ ৰজা হৰিশ্চন্দ্ৰ অন্য দহখন ৰাজ্যৰ ৰজাৰ দৰেই এজন সাধাৰণ ৰজা কিন্তু সেই সাধাৰণ ৰজা হৰিশ্চন্দ্ৰৰ অসাধাৰণ অন্তৰ্জীৱনৰ বাবেই ৰাজ্য, পত্নী, পুত্ৰ সকলো হেৰুৱাব লগা হয়। হৰিশ্চন্দ্ৰৰ সততা, নীতিনিষ্ঠতা, ন্যায়শীলতা, দৃঢ় ধীৰ স্থিৰ মানসিকতা এই সকলো দিশ প্ৰকাশক অন্তৰ্জীৱনৰ জীৱন্ত বৰ্ণনাই শঙ্কৰদেৱৰ কাব্যসমূহক অনিবচৰ্নীয় সৌন্দৰ্য দান কৰিছে। প্ৰত্যেকখন কাব্যতে যুদ্ধৰ প্ৰসঙ্গ উল্লেখেৰে বহিঃ সংঘাতৰ বৰ্ণনা আছে। কিন্তু তাৰ মাজতো চৰিত্ৰৰ মনোজগতৰ কাব্যিক তথা বিশ্বাসযোগ্য উপস্থাপনে পাঠকক অতীৱ সৌন্দৰ্যৰে ভৰা এখন বেলেগ পৃথিৱীলৈ লৈ যায়। অৰ্থাৎ প্লটিনাছে কোৱাৰ দৰে শঙ্কৰদেৱৰ কাব্যই বহিৰ্জীৱনতকৈ অন্তৰ্জীৱনৰ প্ৰতি (দয়া, মায়া, ক্ষমা, ধৈৰ্য্য গুণেৰে ভৰা) পাঠককে অধিক আগ্ৰহী কৰি তোলে।

● প্ৰখ্যাত গণিতজ্ঞ ৰেনে ডেকাৰ্টৰ কাব্যৰ পাঁচটা ভাৱৰ (বিস্ময়, ভালপোৱা, ঘৃণা, হৰ্ষ, শোক) লগত শঙ্কৰদেৱৰ কাব্যৰ বীৰ, জুগুপ্সা, শৃংগাৰ, হাস্য, কৰুণ ৰসৰ সাদৃশ্য পৰিলক্ষিত হয়। ডেকাৰ্টে গভীৰ

ভাৱে বিশ্বাস কৰিছিল যে, কাব্য প্ৰতিভাৰ ফল, শিক্ষা-দীক্ষাৰ ফল নহয়। কাব্য অকল শিক্ষা-দীক্ষাৰ ফল নোহোৱাৰ বাবে শঙ্কৰদেৱৰ কাব্যসমূহ আজিও শ্ৰেষ্ঠ হৈয়ে পৰিগণিত হৈ আছে। শঙ্কৰদেৱৰ কাব্যৰ প্ৰসঙ্গত দেখা যায় যে শঙ্কৰদেৱে গুৰু মহেন্দ্ৰ কন্দলিৰ টোলত সংস্কৃত শাস্ত্ৰ অধ্যয়ন কৰিছিল। সুদীৰ্ঘ কালৰ তীৰ্থ যাত্ৰাৰ অভিজ্ঞতাৰে জ্ঞানৰ মেটমৰা ভঁৰাল গঢ়ি তুলিছিল। 'শিৰোমণি ভূঞা' ঘৰৰ হোৱাৰ বাবে সমসাময়িক আন দহজনতকৈ এটা বেলেগ বৌদ্ধিক পৰিমণ্ডল বা পৃষ্ঠভূমি লাভ কৰিছিল; সেয়ে শঙ্কৰদেৱৰ 'সত্তা' আন দহজনৰ দৰে একে নহয়। তথাপিও সাহিত্যিক শঙ্কৰদেৱ জন গঢ় লৈ উঠাত শিক্ষা-দীক্ষাৰ (অধ্যয়নৰ) ভূমিকাই যে একক আছিল সেই কথাও মানি ল'বলৈ অসুবিধা হয়। শঙ্কৰদেৱৰ নিশ্চিতভাৱেই "অপূৰ্ব নিৰ্মাণক্ষম প্ৰজ্ঞা"ৰ অধিকাৰী আছিল যি একক, অনন্য, অতুলনীয় আৰু লগতে অনতিক্ৰম্য। সেইবাবেই শঙ্কৰদেৱৰ কাব্যসমূহ উচ্চশিক্ষিতসকলৰ বাবে অধ্যয়নৰ, গৱেষণাৰ বিষয় হোৱাৰ দৰে সাধাৰণজনৰ বাবেও হৃদয়ৰ, বিশ্বাসৰ, আৰাধনাৰ সম্পদ, এনে অৰ্থত পাশ্চাত্যৰ নন্দনতাত্ত্বিক ডেকাৰ্টৰ 'কবি প্ৰতিভাৰ' ওপৰত থকা বিশ্বাস শঙ্কৰদেৱৰ প্ৰসঙ্গত খাপ খাই পৰা দেখা যায়।

এনেদৰে, পাশ্চাত্য দাৰ্শনিকৰ নন্দনতত্ত্ব সম্পৰ্কীয় ধাৰণাৰ অধ্যয়নৰ অন্তত দেখা যায় যে প্লেটোৰ পৰা আৰম্ভ কৰি ৰেনে ডেকাৰ্টলৈকে সকলো দাৰ্শনিকৰ নন্দনতত্ত্ব সম্পৰ্কীয় চিন্তাধাৰাৰ শঙ্কৰদেৱৰ কাব্যৰ প্ৰসঙ্গত কিবা এটা দিশত হ'লেও মিল থকা দেখা যায়। আনকি কলাৰ উদ্দেশ্যধৰ্মিতাৰ প্ৰসঙ্গত থকা অন্য এটা চিন্তা 'কলা কৈৱল্যবাদী' চিন্তা চেতনাৰ আলমতো শঙ্গৰদেৱৰ কাব্যসমূহ আলোচনা কৰিব পাৰি। "ঊনবিংশ শতিকাৰ মাজভাগত ফ্ৰান্স আৰু ইংলেণ্ড, এই দুয়ো দেশতে আৰ্ট আৰু সাহিত্যৰ ক্ষেত্ৰত কলা কৈৱল্যবাদৰ আদৰ্শ এটা শক্তিশালী মতবাদ হিচাপে প্ৰতিষ্ঠিত হৈ সেই শতিকাৰ শেষাংশলৈকে ই চলি আছিল।"[৬৮] এডগাৰ এলেন পোৱে কবিতা বা সঙ্গীতৰ সৌন্দৰ্যৰ লগত সত্যৰ সম্পৰ্কক তেল-পানীৰ নিচিনা[৬৯] বুলি কৈ এই কলাকৈৱল্যবাদী ধাৰণাক প্ৰকাশ কৰিছিল। "ইংলেণ্ডৰ চুইনবাৰ্ণে কলাকৈৱল্যবাদৰ ধ্বনি তুলিছিল; কিন্তু অস্কাৰ ওৱাইল্ডৰ হাতত এই আদৰ্শৰ চৰম পৰিণতি দেখিবলৈ পোৱা গৈছিল।"[৭০]

৬৮ ত্ৰৈলোক্যনাথ গোস্বামী, পূৰ্বোল্লিখিত, পৃ. ২০৬
৬৯ ত্ৰৈলোক্যনাথ গোস্বামী, পূৰ্বোল্লিখিত, পৃ. ২০৮
৭০ ত্ৰৈলোক্যনাথ গোস্বামী, পূৰ্বোল্লিখিত, পৃ. ২১০

অৰ্থাৎ কবিতাৰ সৌন্দৰ্যৰ লগত উদ্দেশ্যধৰ্মিতা আঁতৰ কৰি কবিতা কেৱল কবিতাই, সৌন্দৰ্যহে কবিতাৰ মূল কথা - এই চিন্তা প্ৰকাশক কলাকৈৱল্যবাদী চিন্তাধাৰাৰ আধাৰতো শঙ্কৰদেৱৰ কাব্যসমূহ আলোচনা কৰিব পাৰি। শঙ্কৰদেৱৰ কাব্যৰ শ্ৰোতা, পাঠকক বৈষ্ণৱ আদৰ্শৰ দ্বাৰা দীক্ষিত কৰাৰ উদ্দেশ্যক আঁতৰাই থৈ, কৃষ্ণক ভগৱান চৰিত্ৰ বুলি ধৰি নলৈও যদি শঙ্কৰদেৱৰ কাব্যৰ বিষয়বস্তু, চৰিত্ৰ, ভাষা, অলংকাৰ আদিৰ আধাৰত সৌন্দৰ্য সন্ধান কৰা হয়, তেতিয়াও শঙ্কৰদেৱৰ কাব্যৰ অধ্যয়ন সম্ভৱ হয়। শঙ্কৰদেৱৰ কাব্যৰ নিৰ্মল সৌন্দৰ্যই পাঠকক আাদিত কৰি ৰাখে সেয়ে শঙ্কৰদেৱৰ কাব্যত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ আদৰ্শক আঁতৰাই ৰাখিলেও ইবিলাকৰ কাব্য সৌন্দৰ্য মুঠেও বিঘ্নিত হোৱা দেখা নাযায়। অৰ্থাৎ Art for Arts Sake, কলা কলাৰ বাবে দৰ্শনৰ আধাৰতো শঙ্কৰদেৱৰ কাব্যৰ অধ্যয়ন এটা সম্ভৱপৰ বিষয়। এয়া কবি শঙ্কৰৰ কৃতিত্ব আৰু বৈচিত্ৰ্য। শঙ্কৰদেৱৰ কাব্যৰ এনেধৰণৰ বহুদিশদৰ্শী অধ্যয়নে শঙ্কৰদেৱৰ "সাগৰ সংকাশ" কবি প্ৰতিভাৰ উমান দিয়ে।

শেষত, উল্লেখ কৰিব পাৰি যে তত্ত্বৰ আধাৰত শঙ্কৰদেৱে কাব্য ৰচনা কৰা নাছিল। পাশ্চাত্যৰ 'নন্দনতত্ত্ব' শঙ্কৰদেৱৰ তিৰোভাৱৰ পৰৱৰ্তীকালীন প্ৰতিষ্ঠিত তত্ত্ব। এই কথা প্ৰণিধানযোগ্য যে aesthetics বা নন্দনতত্ত্ব - দুয়োটা অভিধাৰ শঙ্কৰদেৱৰ সময়ত অস্তিত্ব নাছিল। তথাপিও পাশ্চাত্যৰ নন্দনতত্ত্বৰ আধাৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ কাব্য বিচাৰ কৰিব পৰাটো, বিচাৰত সঠিকভাৱে খাপ খাই পৰাটো শ্ৰীমন্ত শঙ্কৰদেৱৰ কৃতি আৰু কৃতিত্বৰ পৰিচায়ক।